

সম্পাদক / শ্ৰী দিলীপ কুমাৰ শৰ্মা
চিপাঝাৰ মহাবিদ্যালয়
আলোচনী
1994-95
1-5

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

॥ বাৰ্ষিক প্ৰকাশ ঃ দ্বাদশ সংখ্যা ॥

ইং ১৯৯৪-৯৫ চন

তত্ত্বাৱধায়ক ঃ

★ প্ৰসন্ন কুমাৰ নাথ

সম্পাদক ঃ

★ দিলীপ কুমাৰ শৰ্মা

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| অধ্যক্ষ, বেৰন চন্দ্ৰ নাথ | : | সভাপতি |
| অধ্যাপক, প্ৰসন্ন কুমাৰ নাথ | : | তত্বাৱধায়ক |
| অধ্যাপক, মহেন্দ্ৰ কটকী | : | সদস্য |
| অধ্যাপক, ৰামচন্দ্ৰ ডেকা | : | সদস্য |
| অধ্যাপিকা, বৰ্ণালী শৰ্মা | : | সদস্যা |
| **দিলীপ কুমাৰ শৰ্মা** | : | সম্পাদক |
| ফটিক চন্দ্ৰ নাথ | : | সদস্য |
| ইছাহাৰ আলি | : | সদস্য |
| পৰেশ বৰুৱা | : | সদস্য |
| ৰাজকমল ভট্টাচাৰ্য্য | : | সদস্য |
| প্ৰভাৱতী শইকীয়া | : | সদস্যা |
| শিখা শৰ্মা | : | সদস্যা |

বেটুপাতৰ শিল্পী ঃ জ্যোতিষ ভট্টাচাৰ্য্য, স্নাতক দ্বিতীয় বাৰ্ষিক ।

পৰিকল্পনা/অঙ্গসজ্জা ঃ সম্পাদক ।

আলোক চিত্ৰ ঃ ষ্টুডিঅ' কান্তা, আউলাচৌকা

মুদ্ৰক ঃ ময়ূৰ প্ৰিণ্টাৰ্চ, মঙ্গলদৈ ।

## শ্ৰদ্ধাৰে সোঁৱৰিছোঁ—

প্ৰথিতযশা পণ্ডিত—
প্ৰাশ্চ্যতত্ববিদ ডঃ মহেশ্বৰ নেওগ,
মহাবিদ্যালয় পৰিচালনা সমিতিৰ
সদস্য—অৰুন কুমাৰ বৰুৱা,
দৰঙী কলা-কৃষ্টিৰ অন্যতম সাধক
ক্ৰীড়াবিদ—ৰজনী কান্ত বৰুৱা,
আৰু বছৰটোত দেশ আৰু
স্বজাতিৰ কল্যাণাৰ্থে
মৃত্যুক সাৱটি লোৱা
জ্ঞাত-অজ্ঞাত সহস্ৰজনৰ লগতে
মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বাৰ্ষিক
আৰু স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী ক্ৰমে
বীণা দেৱী আৰু জ্যোতিমা দেৱী,
স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ
দেৱজিৎ ডেকাক ।

## সমভাগী হৈছোঁ ঃ

সেইসকলৰ, যিসকল জীয়াই থাকিও
মৃতপ্ৰায় ; স্বাধীনতা, অধিকাৰ আদি শব্দবোৰৰ
যাৰ বাবে কোনো অৰ্থ নাই ॥

॥ সম্পাদক ॥

## আমাৰ মাজৰ পৰা অকালতে চিৰদিনৰ বাবে আঁতৰি যোৱা—



দেৱজিৎ ডেকা
স্নাতক, প্ৰথম বাৰ্ষিক



বীণা দেৱী
স্নাতক, দ্বিতীয় বাৰ্ষিক



জ্যোতিমা দেৱী
স্নাতক, প্ৰথম বাৰ্ষিক



অধ্যক্ষ মাননীয় শ্ৰীযুত বেৰণ চন্দ্ৰ নাথ

যাৰ সৃজনশীল হাতৰ পৰশ
কিম্বা বুকুৰ স্পন্দন
মহাবিদ্যালয়ৰ লগত সততে জড়িত !

# সম্পাদকীয় চিন্তা ঃ-



ছিপাঝাৰ মহাবিদ্যালয়ৰ সন্মানিত শিক্ষাগুৰু আৰু প্ৰিয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জনাই সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ হাতত কলম তুলি লৈছোঁ। কিন্তু লিখিবলৈ লৈ হাতৰ কলম হাততে থমকি ৰ'ল। কি লিখিম ? সাহিত্যৰ বিষয়ে, নে ৰাজনীতিৰ বিষয়ে, আকৌ সমাজ জীৱনত দেখা দিয়া বিশৃংখলতাৰ বিষয়ে নে শিক্ষা জগতৰ বিষয়ে লিখিম। এই আটাইবোৰৰ বিষয়ে চিন্তা কৰিলে দেখা পাম কি ৰাজনৈতিক, কি অৰ্থনৈতিক. কি সামাজিক, কি সাংস্কৃতিক, শৈক্ষিক সকলো দিশতে এক চৰম দুৰ্নীতি আৰু বিশৃংখলতা।

বিশৃংখলতা আৰু দুৰ্নীতিত পোত খাই থকা এই দেশত অশান্তিৰ বীজ সৰ্বত্ৰ সিঁচৰিত হৈ পৰিছে। হাটে-বাটে বন্দুক-বাৰুদ সহজলভ্য হৈ পৰিছে। চাৰিওফালে হত্যা-লুণ্ঠন-ঠগ-প্ৰৱঞ্চনাই আৱৰি ধৰিছে। স্বাধীনতা, অধিকাৰ আদি শব্দৰ অৰ্থ নোহোৱা হৈ গৈছে। আমি আশাকৰো এই হতাশময় পৰিস্থিতিৰ মাজৰ পৰাই এচাম জ্ঞানী, সমাজৰ প্ৰতি দায়বদ্ধলোকে সমাজ জীৱনত আশাৰ সঞ্জীৱনী সুধা চটিয়াব।

এই ক্ষেত্ৰত বিশেষকৈ শিল্পী সাহিত্যিক বিশিষ্ট বুদ্ধিজীৱিৰ ভূমিকা ধনাত্মক হব লাগিব। তেওঁলোকে তেওঁলোকৰ কৰ্মৰাজি, সৃষ্টিশীল মণিষাৰে সমাজ জীৱনক পোহৰ প্ৰত্যাশী কৰি তুলিবলৈ যত্ন কৰিব লাগিব।

শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত বাহিক আৱহাৱাৰ প্ৰভাৱ পৰিলেও ছাত্ৰ-ছাত্ৰী সকলে নিজকে তুলঙা বাহিকতাত উটুৱাই নিদি নিজ কৰ্ত্তব্য আৰু সমাজৰ প্ৰতি থকা দায়িত্ব নিষ্ঠাৰে পালন কৰাটো উচিত। দেখা যায়— শিক্ষা জগতত, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষানুৰাগ ক্ৰমান্বয়ে কমি যাব ধৰিছে; ই দেশৰ তথা জাতিৰ ভৱিষ্যতৰ বাবে অশুভ ইংগিত। আমি আশা কৰিছোঁ ছাত্ৰ সমাজৰ মাজত এক সুস্থিৰ বৌদ্ধিক পৰিবেশ গঢ় লৈ উঠিব; এই ক্ষেত্ৰত শিল্পী, সাহিত্যিক, ৰাজনীতিবিদ, শিক্ষক, বুদ্ধিজীৱি প্ৰভৃতিয়ে সদায় সঠিক বাটৰ সন্ধান দিব। কাৰণ ছাত্ৰ সমাজ দেশৰ মেৰুদণ্ড স্বৰূপ। মেৰুদণ্ড যদি ৰোগাক্ৰান্ত হৈ থাকে তেতিয়া গোটেই শৰীৰটোৰ বাবেই বিপদজনক। গতিকে শৰীৰক অৰ্থাৎ দেশ বা জাতিটোক ৰোগমুক্ত, সবল, সুশ্ৰী কৰি ৰাখিবলৈ মেৰুদণ্ড স্বৰূপে ছাত্ৰ সমাজৰ ৰোগ ব্যাধি দূৰীকৰণৰ মহৌষধী প্ৰস্তুত কৰা একান্তই প্ৰয়োজন।

**ছিপাঝাৰ মহাবিদ্যালয় আলোচনী সম্পৰ্কে এষাৰ :** 'ছিপাঝাৰ মহাবিদ্যালয় আলোচনী' খনৰ এই সংখ্যাটি 'একাদশ' সংখ্যাহে হ'ব লাগিছিল যদিওঁ যোৱা সংখ্যাটি 'একাদশ সংখ্যা' ৰূপে প্ৰকাশ কৰাৰ বাবে আমি এই সংখ্যাটি 'দ্বাদশ সংখ্যা' হিচাপে প্ৰকাশ কৰিবলৈ বাধ্য হৈ পৰিছো। ভৱিষ্যতে এই বিষয়ে সাৱধানতা অৱলম্বন কৰিব বুলি আশা ৰাখিছোঁ।

আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সময়মতে তেওঁলোকৰ লেখনি সমূহ জমা নিদিয়া, অধিক 'কবিতা'ৰ বাহিৰে অন্য লেখনিৰ পৰিমাণ কম, বহুতো লেখনিৰ আখৰ চিনিব নোৱাৰা (অপৰিস্কাৰৰ বাবে) আদি কামৰ বাবে আলোচনীখন প্ৰকাশ কৰাত কিছু পলম হৈ গৈছে যদিওঁ সম্পাদনা সমিতিৰ সন্মানিত শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত এই সংখ্যা আলোচনী প্ৰকাশ কৰি উলিওৱা হৈছে। ইয়াৰ মানদণ্ডৰ বিচাৰ সহৃদয় পাঠক সমাজৰ হাতত অৰ্পণ কৰিলোঁ।

**'প্ৰাচীৰ পত্ৰিকাৰ ৰেঙণি' সম্পৰ্কে এষাৰ :** 'প্ৰাচীৰ পত্ৰিকাৰ ৰেঙণি' শিতানটিৰ এয়া প্ৰথম প্ৰকাশ। এই প্ৰথম প্ৰকাশত উক্ত শিতানটি মনোকৰ্ষণীয় ভাৱে সজাই তুলিবলৈ চেষ্টা কৰা হৈছিল যদিওঁ অধিক সফল হব পৰা নাই। মাত্ৰ শিতানটি যাতে ভৱিষ্যতে সুন্দৰকৈ সজাই তাৰ কলেবৰ বৃদ্ধি কৰি জীয়াই ৰাখে, তাৰ বাবে পৰৱৰ্ত্তী সম্পাদক সকলৈ অনুৰোধ জনালোঁ।

**বিগত কাৰ্য্যকালৰ চমু বিৱৰণ :** বিগত কাৰ্য্যকাল ছোৱাৰ প্ৰথম ভাগতে অৰ্থাৎ ইং ৮-১-৯৫ তাৰিখে 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সঙ্গতি ৰাখি এখনি 'সাহিত্য প্ৰতিযোগিতা' অনুষ্ঠিত কৰা হয়। ইয়াৰ ঠিক পিছতেই প্ৰাচীৰ পত্ৰিকাৰ প্ৰথম (৯-২-৯৫), দ্বিতীয় (২২-৮-৯৫) আৰু তৃতীয় (১৫-১১-৯৫) সংখ্যাৰে তিনিবাৰকৈ প্ৰকাশ কৰা হয়। উক্ত তিনিটি সংখ্যা উন্মোচন কৰে ক্ৰমে মাননীয় উপাধ্যক্ষ শ্ৰীযুত বিদ্যাৰাম নাথ, শ্ৰীযুত দ্বীজেন তালুকদাৰ আৰু শ্ৰীযুতা মোহিনী গোস্বামী বাইদেৱে। ইয়াৰোপৰি 'ৰঙালী বিহু সংখ্যা'টিৰ প্ৰকাশৰ বাবে যো-জা কৰা হৈছিল যদিওঁ বিশেষ অসুবিধাৰ বাবে প্ৰকাশ কৰিব পৰা নগ'ল। তাৰ বাবে ক্ষমা ভিক্ষাৰী।

**কৃতজ্ঞতা স্বীকাৰ :** মোৰ কাৰ্য্যকালছোৱাত তথা আলোচনীখন সম্পাদনা কৰি উলিওৱাত যিসকল শিক্ষাগুৰুৱে আৰ্শীবাদ, দিহা-পৰামৰ্শ, উৎসাহ-উদ্দিপনাৰ লগতে নানা ধৰণে সহায়-সহযোগ আগবঢ়ালে, তেওঁলোকৰ লগতে যোৱা সাধাৰণ নিৰ্বাচনত জয়ী কৰি বৰ্ত্তমানলৈ মোক এই বিভাগত সেৱা আগবঢ়াবলৈ সুবিধাকণ প্ৰদান কৰা আৰু মোৰ প্ৰতিটো কামতে যিসকল বন্ধু-বান্ধৱীয়ে সহায়-সহযোগ কৰিছিল তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জনাই কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। লগতে মোৰ প্ৰতিটো কথাতে, প্ৰতিটো কামতেই দিহা-পৰামৰ্শ আগবঢ়াই যি জ্ঞান দান দিলে তাৰ বাবে বিভাগীয় তত্বাৱধায়ক মহোদয় মাননীয় নাথ দেৱৰ ওচৰত চিৰকৃতজ্ঞ।

সদৌ শেষত, অজানিতে হৈ যোৱা ভুল-ক্ৰটীৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

"জয়তু ছিপাঝাৰ মহাবিদ্যালয়"।

ছিপাঝাৰ মহাবিদ্যালয় আলোচনী দীৰ্ঘজীৱি হওঁক ॥

★ দিলীপ কুমাৰ শৰ্মা

সম্পাদক,

আলোচনী বিভাগ।

## ছিপাঝাৰ মহাবিদ্যালয় আলোচনীৰ

# সম্পাদক-তত্বাৱধায়ক সকল

ইং ১৯৮২-৮৩ চনৰ পৰা বৰ্তমানলৈ

| চন— | সম্পাদক— | তত্বাৱধায়ক প্ৰবক্তা— |
|---|---|---|
| ১৯৮২-৮৩— | নন্দিৰাম কলিতা | দ্বীজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৩-৮৪— | কোমল হাজৰিকা | দ্বীজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৪-৮৫— | দিলীপ কুমাৰ শইকীয়া | মহেন্দ্ৰ কটকী |
| ১৯৮৬-৮৭— | নিৰণ নাথ | দেৱব্ৰত বৰদলৈ |
| ১৯৮৭-৮৮— | তপন কুমাৰ নাথ | মোহিনী গোস্বামী |
| ১৯৮৮-৮৯— | প্ৰিয় কুমাৰ বৰুৱা | ৰাম চন্দ্ৰ ডেকা |
| ১৯৮৯-৯০— | আখতাৰ হুছেইন | ৰাম চন্দ্ৰ ডেকা |
| ১৯৯০-৯১— | নীলমণি বৰুৱা | ৰাম চন্দ্ৰ ডেকা |
| ১৯৯১-৯২— | মণ্টু চহৰীয়া | জয়ন্ত হাজৰিকা, তন্দ্ৰালী চৌধুৰী |
| ১৯৯৩ ৯৪— | মণ্টু চহৰীয়া | বিদ্যাৰাম নাথ |
| ১৯৯৪ ৯৫— | দিলীপ কুমাৰ শৰ্মা | প্ৰসন্ন কুমাৰ নাথ |

✻✻

## তত্বাৱধায়কৰ দু-আষাৰ ঃ-

বিদ্যালয় মহাবিদ্যালয়ৰ আলোচনী সমূহ মূলতঃ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সাধনাৰ কৰ্ষণ ক্ষেত্ৰ। এই আলোচনী সমূহৰ পাততেই সাহিত্য চৰ্চাৰ আৰম্ভণি কৰি সাহিত্য জগতত নিজস্ব সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত কৰাৰ উদাহৰণ বহুতো আছে। সহজ কথাত বিদ্যালয় মহাবিদ্যালয় আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লেখনীৰ স্থিতি, ৰূপ প্ৰভৃতি দৃঢ় কৰিব পাৰে। সেয়ে কব পাৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকশিত কৰি তোলাত এই আলোচনী সমূহেই হ'ল প্ৰধান ইন্ধন স্বৰূপ। এবাৰি আপ্ত বাক্য আছে—''জুই শালত গঢ়িলেহে কমাৰ শালত গঢ়িব পাৰি''। গতিকে ছাত্ৰাৱস্থাৰ পৰাই যদি কবিতা, গল্প, প্ৰবন্ধ পাতি লিখাৰ অভ্যাস কৰে, তেনেহলে বয়স, বুদ্ধি বঢ়াৰ লগে লগে নিজস্ব কৌশলেৰে নিজ চিন্তা চৰ্চা প্ৰকাশ কৰাৰ উপৰিও নিজকে সু-প্ৰতিষ্ঠিত প্ৰতিভা হিচাপে প্ৰকাশ কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

আলোচনীখন সেই নিৰ্দ্দিষ্ট অনুষ্ঠানটিৰ মানসিক, বৌদ্ধিক চিন্তা চৰ্চাৰ এক প্ৰতিচ্ছবি স্বৰূপ। ইয়াক ভালদৰে সজাই পৰাই তুলিব পাৰিলে অনুষ্ঠানটিক মৰ্যাদা আৰু গাম্ভীৰ্য্য বাঢ়ে। আকৌ ভালদৰে সজাই পৰাই তুলিবলৈ অনুষ্ঠানটিৰ লগত জড়িত ব্যক্তিসকলৰ চেষ্টা প্ৰচেষ্টাৰো প্ৰয়োজন। মহাবিদ্যালয়ৰ আলোচনীৰ ক্ষেত্ৰত এই প্ৰচেষ্টা আহিব লাগিব মুখ্যতঃ ছাত্ৰ/ছাত্ৰী সকলৰ তৰফৰ পৰা। উচ্চ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী হিচাপে তেওঁলোক এই ক্ষেত্ৰত সজাগ, সচেতন হোৱাটো নিতান্তই প্ৰয়োজনীয়। এই কথাখিনি ছাত্ৰ-ছাত্ৰীসকলে এবাৰ দকৈ চিন্তা কৰিব বুলি আশা কৰিছোঁ। আলোচনী সম্পাদনাৰ দায়িত্বতো থাকে ছাত্ৰ-ছাত্ৰী সকলেই। সেয়ে তেওঁলোকে একাগ্ৰতাৰে নিজৰ সম্পাদনাত মনোযোগ দিয়াটো উচিত। কিন্তু দুখ লগাকৈ কেতিয়াবা সম্পাদকৰ ব্যক্তিগত অনীহাৰ ফলতেই হয়তো আলোচনীৰ কোনোবাটি সংখ্যাৰ প্ৰকাশ বন্ধ হৈ গৈছে, বা যায়।

আমাৰ মহাবিদ্যালয়ৰ আলোচনীৰ শিতানত ধনৰ পৰিমাণ যথেষ্ট নহয়। তথাপি এই সীমিত ধনেৰে ন্যূনতম মানদণ্ড বজাই ৰাখিবলৈ চেষ্টা কৰি আলোচনীখনি প্ৰকাশ কৰা হৈছে। এই ক্ষেত্ৰত সম্পাদনা সমিতিৰ সভাপতি, সন্মানীয় সদস্যসকলৰ একাগ্ৰতাৰ কথা স্বীকাৰ কৰিবই লাগিব।

প্ৰসঙ্গত উল্লেখযোগ্য যে, মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লেখনীৰে সমৃদ্ধ হৈ উঠা উচিত। আলোচনীখন সময়মতে প্ৰকাশ কৰাৰ দায়িত্ব যিদৰে সম্পাদক প্ৰমুখ্যে সম্পাদনা সমিতিৰ, ঠিক একেদৰে লেখনীসমূহ সময়মতে জমা দি সম্পাদনাৰ কাম খৰতকীয়া কৰাৰ দায়িত্বও ছাত্ৰ-ছাত্ৰীসকলৰ। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পৰা আশানুৰূপ সহাৰি নোপোৱাটো আমাৰ দৃষ্টি গোচৰ হৈছে। ঠিক একেদৰে ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা লেখনি বুলি লোৱাৰ লগে লগে যথেষ্ট সংখ্যক কবিতাৰ বাহিৰে আন ৰচনাৰ সংখ্যা ইমান কম যে সেইখিনিৰে এখনি আলোচনী প্ৰকাশ হৈ নুঠে। তথাপি যিখিনি গল্প, প্ৰবন্ধ, কবিতা পোৱা হৈছিল তাৰ মানদণ্ড যথেষ্ট উন্নত নহলেও লিখক-লিখিকা সকলে একাগ্ৰতাপতীয়াকৈ অধ্যয়ন আৰু অনুশীলন কৰিলে ভৱিষ্যতে উন্নত মান বিশিষ্ট লেখনি তেওঁলোকৰ কাপৰ পৰা ওলাব বুলি আমি আশাবাদী। এই খিনিতে আকৌ আন এটা কথালৈ ছাত্ৰ-ছাত্ৰী সকলৰ মনোনিবেশ কৰিব খুজিছো যে, তেওঁ-লোকে পঠোৱা লেখনী সমূহ সম্পাদনাৰ সুবিধা ৰাখি ফুলস্কেপ কাগজৰ এপিঠিত সুন্দৰকৈ লিখাৰ পৰিবৰ্ত্তে (দুই এজনৰ বাহিৰে) কাগজৰ দুয়োপিঠিত ঘন ঘনকৈ লিখি (ঠাই বিশেষে অপৰিস্কাৰকৈয়ো) পঠোৱাত সম্পাদনাৰ ক্ষেত্ৰত সম্পাদক যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। এই কথাবোৰলৈ ছাত্ৰ-ছাত্ৰীসকলে মনোযোগ দিব বুলি আশা কৰিলো।

'বৰ সবাহলৈ মনটো হাতত নাই কনটো'ৰ লেখীয়াকৈ একালে আৰ্থিক দৈন্যতা আনফালে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা পোৱা প্ৰবন্ধ পাতিৰ নাটনিৰ মাজেৰেও আলোচনী-খন প্ৰকাশ কৰা হৈছে। এনে অৱস্থাত এখন সৰ্বাঙ্গসুন্দৰ আলোচনী প্ৰকাশ কৰি উলিয়াব পাৰিম বুলি ভবাটো ফলপ্ৰসু চিন্তা নহয়। তথাপি সম্পাদকে "নাই মোমাইতকৈ কণা মোমাই ভাল" মনোভাবেৰে আলোচনীখন প্ৰকাশৰ যাৱতীয় কাম-কাজ সম্পন্ন কৰি এন্না প্ৰকাশ কৰি উলিয়াইছে। মানদণ্ড বিচাৰৰ ভাৰ সহৃদয় পাঠক-পাঠিকা সকলৰ। সম্পাদনাৰ ক্ষেত্ৰত বৈ যোৱা অপূৰ্ণতা আৰু দুৰ্বলতা সমূহৰ বাবে সম্পাদনা সমিতিৰ হৈ সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ। ✳

★ **প্ৰসন্ন কুমাৰ নাথ,** এম-এ, এম-ফিল
অধ্যাপক, অসমীয়া বিভাগ।

প্ৰবন্ধ

# জ্যোতি প্ৰসাদৰ শিশু সাহিত্য

গীতামণি শৰ্মা
স্নাতক ২য় বাৰ্ষিক

> শিশুৰ অবাক জগতখনৰ লগত A big blooming, buzzing Confussion অৰ লগত যাৰ নিবিড় একাত্মতা নাই, যাৰ মনৰ মাজত চিৰ শিশু জন জাগ্ৰত হৈ থকা নাই, সেইজনে শিশুৰ মনৰ ভূ পাব নোৱাৰে। কাৰণ শিশুৰ জগত এক বিচিত্ৰ বিস্ময়কৰ জগত। এযোৰ নতুন চকু নিতে নন কৰি ওলোৱা সূৰ্যৰ একো চেৰেঙা পোহৰ দিনৌ লৈ যি অকণ অকণ কৰি মেল খায়।

'সুন্দৰ যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।''

প্ৰভাতে প্ৰভাতে ফুলি উঠা ফুল কুমলীয়া মনৰ সংবাদ ত্ৰিশ চল্লিশৰ দশকত এজন শিল্পীয়ে প্ৰকৃত অৰ্থত দিব জানিছিল—অপূৰ্ব চিত্ৰময়তাৰে প্ৰাণ ধৰ্মী সাৱলীলতাৰে। সেইজন শিল্পীয়েই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ। শিশু সাহিত্যৰো যুগান্তকাৰী স্ৰষ্টা জ্যোতিপ্ৰসাদ।

শিশুৰ অবাক জগতখনৰ লগত A big blooming, buzzing confussion অৰ লগত যাৰ নিবিড় একাত্মতা নাই; যাৰ মনৰ মাজত চিৰ শিশুজন জাগ্ৰত হৈ থকা নাই সেইজনে শিশুৰ মনৰ ভূ পাব নোৱাৰে। কাৰণ শিশুৰ জগত এক বিচিত্ৰ বিস্ময়কৰ জগত। এযোৰ নতুন চকু নিতে নন কৰি ওলোৱা সূৰ্যৰ একো চেৰেঙা পোহৰ দিনৌ লৈ যি অকণ অকণ কৰি মেলি খায়। অভিজ্ঞতাৰ আঘাতে নোকোবোৱা মনৰ এখনি কলি চাৰিওপিনে দেখা অজস্ৰ বিস্ময় আৰু কৌতূহলৰ ৰশ্মিত যাৰ পাপৰি এপাঁহ এপাঁহকৈ বিকশিত হয়। এখন আলফুল জগত—য'ত কোনো ব্যাকৰণ নাই, য'ত কোনো যুক্তি নাই, য'ত অসংলগ্ন কল্পনাই ৰূপ জিল মিল-সোণ জিলমিল হৈ নাচে। য'ত ৰ'দ বৰষুণ দেখিলেই খঁৰাশিয়ালে বিয়া পাতে, ঘৰ-চিৰিকা জনী কৰবাৰ পৰা উৰি আহি তামোল



[library stamp]

কাটি কাটি যাচে। য'ত জোনবাইক দেখি তৰা খুজি থাকোতেই হালধীয়া চৰায়ে বাওঁধান খোৱাৰ কথা মনত পৰে আৰু বাওঁধান খোৱাৰ কথা কওঁতে নকওঁতেই সাউদৰ পুতেকে কৰবাৰ পৰা নাও মেলি কৰবালৈ যায়গৈ, আকৌ নাওৰে টুলুং ভুটুং কৰোঁতে নকৰোঁতেই ডুডুম ডুম ভৰা বজোৱাৰ কথা মনত পৰেহি। এইখন জগততে শিয়ালীৰ মূৰত মকৰা ফুল ফুলে, শিয়ালীজনীয়ে চকুৰ পচাৰতে কোনোবা এখন ৰতনপুৰ সদায় পায়গৈ, বগলীয়ে সবাহ খাবলৈ যাওঁতে ৰৰষুণত তিতে, কপৌয়ে বোকাত ভৰি পৰে বুলি বাঁহগছত কাপোৰ আৰু বেঙেনা গছত বিহা থৈ লেঙ দি দি ফুৰে।

শিল্পী জোতি প্ৰসাদৰ সত্তাত চিৰন্তন শিশুমন জীয়াই আছিল আৰু সেই কাৰণেই শিশুৰ এই অবাক পৃথিবী, যুক্তিৰ উৰ্ধৰ মনোজগতখনৰ লগত তেওঁ নিবিড়ভাৱে একাত্ম হব পাৰিছিল।

" ∘∘ আইতাৰ থাপনাত
ফুলৰ শৰাই পাতি
চাকি দিওঁ গধূলি
সেৱা কৰি
বৈ থাকো
লাড়ুৱা গোসাঁইটিয়ে
লাড়ু এটা
লোক আনি
খাবলৈ দিবহি বুলি∘∘∘∘∘∘∘।"
(অকণমানি ছোৱালী)

এই শিশু কোনো স্থান বিশেষৰ নহয়, কোনো কাল বিশেষৰ নহয় এই শিশু, শিশুৰ এই মন সৰ্বদেশৰ সৰ্বকালৰ। শিশুৰ মনে পৰিবেশৰ সকলোকে জীৱন্ত বুলি, নিজৰ দৰে বুলি ভাবে। শিশুৰ মনত চেতন অচেতনৰ পাৰ্থক্য নাই। সেই কাৰণেই লাড়ুৱা গোঁসাইৰ ছবি-খনকে জীৱন্ত বুলি নিজৰ লগৰীয়া বুলি ভাবে। ক'ত শিশুৱে নিজৰ খোৱাৰ ভাগৰে কেক্, বিস্কুট, টফি শৰাইত থৈ গোসাঁইক খাবলৈ দিয়ে, নোখোৱা দেখি মাক-দেউতাককো লগাই দিয়ে যাতে মাক বা দেউতাকে গোসাঁইক এটা ধমক্ দিয়ে। অথবা এনেকুৱা শিশুও আছে যি আহাৰৰ কাৰণে যতনাই লোৱা মৃত চৰাইৰ পাখি শুচোৱা দেখি কান্দে, কয় "চৰাইটোৰ ফ্ৰ'কটো কিয় খুলি দিলা। ঠাণ্ডা লাগিব।"

হাতত লাড়ু লৈ থকা লাড়ুৱা গোপালে লাড়ু এটা দিব বুলি আশা পালি বৈ থকা কথাটো শিশুৰ মনস্তত্বৰ ফালৰ পৰা কিমান যে সত্য!

" ও' টো দেখিলে মই
চকুৰ আগেদি মোৰ
বেঙটোৱে মাৰে বৰ জাপ
দন্তীয়া 'স' দেখি
গোটেই আখৰবোৰ
লাগে যেন
এটা ঢোৰাসাপ ॥"

এটা শব্দই আন এটা শব্দলৈ যে মনত পেলাই, এটা ধ্বনিয়ে আন এটা ধ্বনিৰ কথা যে মনৰ গোচৰ কৰায়, এই তত্বটোক ভাষা বিজ্ঞানত বোলা হয় 'এছচিয়েশ্য'। এই মনস্তত্বটো যে শিশুৰ ক্ষেত্ৰতো সঁচা, এই সত্য জানিছিল জ্যোতি-প্ৰসাদে। 'ঙ'ৰ ধ্বনিয়ে যেনেকৈ বেঙৰ কথা মনত পেলায়, সাপ শব্দৰ লগতো দন্ত্য 'স' থাকে কাৰণেহে 'স' আখৰটোৱে আনিছে সাপৰ কল্পচিত্ৰ।

জ্যোতিপ্ৰসাদৰ অকমানি ছোৱালী, অকমানি ল'ৰা এই দুয়োটা কবিতাই শিশু মনৰ নিৰ্ভাজ প্ৰতিফলন। দেউতাৰ পদূলিৰ শেৱালি ফুল বুটলি ফুৰা এজনী সৰু অকণমানি ছোৱালী— চঞ্চল যাৰ গতি, ঝৰণাৰ দৰে টলমল যাৰ মন। চৰিত্ৰটোৰ আলফুলীয়া কোমলতা, চঞ্চলতা ছন্দটোতেই যেন কণ্ কণ্ জুনুক কৈ বাজি উঠিছে। সকলো কাম কৰিবলৈ উচপিচাই থকা শিশুৰ মনটো, বিয়াৰ পৰা ভাওঁনালৈ, ভাওনাৰ পৰা কথা বঢ়ালৈ, পঢ়া শুনাৰ পৰা পুতলা কিনালৈ মুহূৰ্ততে তিনিও ত্ৰৈলোক্য ভ্ৰমি ফুৰা অসংলগ্ন কল্প-নাৰ, ধূলি-বালিৰ এই জগত খনৰ ছবি শিশুৰ ছন্দেৰে, মনেৰে, ধ্বনিৰে, গতিৰে অপৰূপ হৈ ইয়াত উদ্ভাসিত হৈছে—

"ভাত হব ভক্ ভক্
দাইলখন উতলিলে
বক্ বক্ বক্
চেও কৈ মাৰি দিম
জলকীয়া জিৰাৰ চমক্
পেট্ৰা বেঙেনা আনি
তাৰ ধৰি পেটটো ফালিম
লঠা মূৰা লাওটোৰ
তাৰ ধৰি টিকনি কাটিম
খেচেৰ বেচেৰ কৈ
মাছবোৰ আনি আনি
মৈদাত বাছিম কাছিম
মূলাবোৰ কাটি যাম
খচ্ খচ্ কৈ
মাজে মাজে তাৰ এটুকুৰা
খাম তাৰে মচ্ মচ্ কৈ
∘∘ শাক পাচলি চৰ
বাছিম, কুটিম
মটৰ মাহখিনি হ'লে
কোচত থৈ দিম
ছুটুৰ ছুটুৰকৈ
ঔটেঙা এটা আনি
মাটিত থুন্দিম
তিনিকাল চাৰিকাল
কৰি তাৰে বখলিয়াই মই
টেঙা শাক আঞ্জা বান্ধিম
আধাখিনি হওঁতেই নিমখ চাকিম"

কবিতাটোত অসমীয়া সমাজৰ কৌটিকলিয়া ৰন্ধা-বঢ়াৰ জুতি, তাৰ মলমলীয়া গোন্ধেৰেও যেন উপচি পৰিছে। অকমানি ছোৱালী আৰু অকমানি ল'ৰা দুয়োটা কবিতা ওপৰৰ পৰা চাই, দূৰৰ পৰা লক্ষ্য কৰি লিখা কবিতা নহয়। সূক্ষ্ম পৰ্যবেক্ষণ শক্তি নেথাকিলে এনে কবিতা লিখাটো অসম্ভব কথা।

ডাঙৰ যেতিয়া হ'ম
কিমান ইমানবোৰ পুতলা আনিম
দেউতাৰ চন্দুকৰ
পইচা সোপাকে নি
গোটেই বজাৰৰে পুতলা কিনিম
কি কি কিনিম জানা?
বহুত কিনিম

এক দুই তিনি চাৰি
পাঁচ সাত বাৰ ন দহ বিছ
এশ, দুশ. উনানব্বই, একান্নব্বই, বহুত নব্বই
কিনি কিনি পুতলা দিম থই থই"

এয়া যে হুবহু, শিশুৱে ভবাৰ দৰে কোৱাৰ দৰে লেখা। ডাঙৰ হ'লে এনেকৈ পুতলা কিনাৰ যে আৰু চথ নেথাকিব, সেই কথা শিশুৱে নেজানে। নেজানে সংখ্যাৰ শৃংখলাবদ্ধ গণনাৰ কথা। এনেদৰে শিশু মনবোৰ হুবহু প্ৰকাশ কৰিব পাৰিছিল জ্যোতিপ্ৰসাদে— ।

অকণিৰ সপোন, কুম্পুৰ সপোন আৰু কুম্পুৰ আনটো সপোন—"ভূত পোৱালী" এই তিনিটা জ্যোতিপ্ৰসাদৰ কবিতা অকমানিৰ কোমল মনত কল্পনাৰ ডেউকা সজোৱা কবিতা। অকমানিৰ মনৰ লগত হুবহু বজিতা খোৱা শব্দ আৰু ছন্দেৰে আৰু জ্যোতিপ্ৰসাদৰ প্ৰকাশৰ অনন্য বৈশিষ্ট্যৰে সুন্দৰ প্ৰাণময় তিনিটা কল্পনা ইয়াত অভিনৱ ৰূপত থোৱা হৈছে।
'—অকণিৰ সপোন'ৰ শেষৰ শাৰীটো ইমান অনুপম যে মৰমতে পমি যাবৰ মন যায়—

"মা ! মোৰ সপোনটো মিছা বুলি
ভাবিছ নেকি বাৰু ?
মিছা নহয় মা !
সাক্ষী আছে সেই তিনিটা গাৰু......."

—সপোনৰ সাক্ষী সেই তিনিটা গাৰু! বিদ্যুৎ-তৰ দৰে এই চমক শিশুৰ অকমানি মনৰ প্ৰতি-ফলন কেইজন স্ৰষ্টাই দিব পাৰে।

'কুম্পুৰ সপোন' নামৰ কৱিতাটোত কুম্পুৱে সপোনত বেলি ঘৰলৈ অহাৰ নিচিনা আচৰিত সপোন দেখি উধাতুখাই যেন মাকক কৈছেগৈ, "মা আজি মই সপোন দেখিলো মা, জক-মকীয়া সপোন এটা মা, বেলি সপোনত অহা দেখিছো মা ০ ০ ০" বাৰে বাৰে মাকক সম্বোধন কৰাই অকমানি কুম্পুৰ আশ্বৰ্য ভাবেৰে মাকক প্ৰত্যয় নিয়াবৰ কাৰণে কৰা চেষ্টা শিল্পী জ্যোতিপ্ৰসাদে প্ৰকাশ কৰিছে নাটকীয় তীক্ষ্ণ প্ৰকাশ ভংগীৰে।

"ভূত পোৱালী" নামৰ কবিতাত আছে। শিশুৰ মন প্ৰবল ভাবে আকৰ্ষন কৰা শব্দৰ ধ্বনি। সপোনটোৱেই যেন এক মন ধৰি ৰখা সাধু। কুম্পুৱে সপোনত দেখিছে নাক জিলিকা, চকু টেলেকা যখিনী ছোৱালী আৰু দুটা ভূত। সিহঁতে গান গায় ফছ্-ফুছ্ ফাছ্ কাম কৰে খুচ্ খুচ্-খাছ্।

ধ্বনিৰ এই বৈচিত্ৰময় জগতখনক যাদুকৰী কুশলতাৰে ধৰি ৰাখিছে জ্যোতিপ্ৰসাদে তেওঁৰ "জ্যোতি-ৰামায়ণ" নামৰ অসম্পূৰ্ণ গ্ৰন্থখনত। কঠিন জটিল কথাবোৰকো অপূৰ্ব প্ৰানময়তাৰে অতি নিমজ কৰি লিখা এই গ্ৰন্থৰ 'বাল্মিকী বন'ৰ বৰ্ণনা অভূতপূৰ্ব।

জ্যোতিপ্ৰসাদৰ শেহতীয়া দুখন শিশু-নাটিকা, 'নিমাতীকন্যা' আৰু 'সোণ পখিলী'। দুয়োখনেই ৰূপাত্মক আৰু আদৰ্শাত্মক। এক ৰজাৰ আলাসৰ লাডু একেটি কন্যাই কথা নকয় নিমাত। দেশ দেশান্তৰে এই দুখৰ বাতৰি বিয়পি গ'ল। ক'ত যে বেজ জ্ঞানী আহিল; ওহো! নোৱাৰিলে। শেষত শ্ৰীৰূপ কোঁৱৰৰ সাধনাৰ মহত্ত নিমাতীৰ ৰুদ্ধ কণ্ঠ মুক্ত হ'ল, বিকশিত হ'ল। জ্যোতি প্ৰসাদে নিমাতী কন্যাক কলা লক্ষ্মীৰ ৰূপত অংকন কৰিছে। মানৱ সভ্যতাৰ অধিষ্ঠাত্ৰী এই কলা লক্ষ্মী প্ৰতিষ্ঠা কৰিব পাৰে কবি দাৰ্শনিকেহে তথা চিৰ সুন্দৰৰ মহাসিদ্ধ সাধকেহে তেওঁৰ আমন্ত্ৰনতে কলা লক্ষ্মীয়ে হাঁহে। কলা লক্ষ্মীৰ হাঁহিয়েই আনন্দ। তেওঁৰ গানেই বিশ্বশান্তি।

ৰূপকোঁৱৰৰ আনখন শিশুনাটিকা 'সোনপখিলী' অসমাপ্ত। মাত্ৰ প্ৰথম আৰু দ্বিতীয় পটহে জ্যোতি-প্ৰসাদে লিখিছিল, পাছৰখিনি সম্পূৰ্ণ কৰিলে কবি নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকাই। এই নাটিকাও 'নিমাতী কন্যা'ৰ দৰে গীতিময়। ইয়াত কবিতা কুমাৰে সোনপখিলীক সপোনত দেখে

—"পাখি কৰে কণকণ, গানগাই গুণগুণ,
হাঁহি দেখুৱাই অকাঁবঁকা চকামকা ৰঙা
সপোন ৰঙা সপোন।"

প্ৰানত সৌন্দৰ্য তৃষ্ণা জগোৱা এই 'সোনপখিলী'ক পাৰ পাৰি ৰাওঁনাৰ দেশ, ৰাক্ষকৰ দেশ পাৰ হৈ। অচৈত্যনৰ স্তৰকে ইয়াত 'ৰাওঁনাৰ দেশ' বোলা হৈছে। কবিতা কুমাৰে দুৰ্বাৰ আকু-লতাৰে এই সৌন্দৰ্যকে বিচাৰি যাব খুজিছিল। শিশু নাটিকা বুলি কোৱা হৈছে যদিও 'নিমাতী-কন্যা' আৰু 'সোনপখিলী, দুয়োখনেই উচ্চ চিন্তা, উচ্চভাব আদৰ্শৰ (শিশুৰ মানসিক স্তৰৰ উৰ্দ্ধৰ) ৰচনাহে। সেই দৰেই 'লুইতৰ পাৰৰ অগ্নি-সুৰত সন্নিবিষ্ট হোৱা 'নতুন অকমানিৰ গান', 'অকমানিৰ প্ৰাৰ্থনা' আদিও শিশুৰ কাৰণে লিখা আদৰ্শাত্মক কবিতা।

("জ্যোতি প্ৰসাদৰ ৰচনাৱলী" ৰ সহায় লৈ)

" আমি যদি আমাৰ সভ্যতা সংস্কৃতি সাৰ্বভৌম আদৰ্শৰ পৰা আতৰাই আমাৰ মনটোক লুইতৰ বৰাচাপৰিতেই এৰাল দি থওঁ, তেন্তে আমাৰ মনটোও অসমৰ গৰুৰ দৰে টিলিকা হৈ থাকিব। "

—জ্যোতিপ্ৰসাদ।

" আমি সামান্য কামকো ঘৃনা কৰা উচিত নহয়। যি মানুহে অতি সৰু কাম কৰে তেওঁ ডাঙৰ কাম কৰা জনতকৈ অলপো সৰু নহয়। কৰ্ত্তব্যৰ ধৰণ চাইহে মানুহক বিচাৰ কৰিব লাগে। "

—স্বামী বিবেকানন্দ।

সংগ্ৰহ : সম্পাদক

## আধুনিক নাটকৰ জন্মদাতা ঃ

# হেন্ৰিক ইব্ছেন

● শ্ৰীকিশোৰ কুমাৰ ডেকা
স্নাতক তৃতীয় বাৰ্ষিক

দক্ষিণ নৰৱেৰ টেলেমাৰ্কেন অঞ্চলৰ সমুদ্ৰ তীৰত অৱস্থিত সৰু চহৰ স্কেইনত (Skein) ১৮২৮ চনত জন্ম হয় আধুনিক নাটকৰ জন্মদাতা হেন্ৰিক ইব্ছেনৰ। শ্বেক্সপিয়াৰৰ ৰোমান্টিক নাট্যধাৰাৰ অৱসান ঘটাই এক বাস্তৱবাদী নাট্য-ৰীতি প্ৰৱৰ্তন কৰা হেন্ৰিক ইব্ছেন এক যুগস্ৰষ্টা নাট্যকাৰেই নহয়, তেওঁ নাট্যকলাৰ আজীৱন সাধক। সৰুৰেপৰা ইতিহাস পুৰাতত্ব পঢ়ি ভালপোৱা ইব্ছেন প্ৰথমতে ধৰ্মতত্বৰ প্ৰতিও গভীৰভাৱে আকৰ্ষিত হৈছিল। বাস্তৱবাদী নাটসমূহৰ যোগেদি এইজনা নাট্যকাৰে আধুনিক জগতৰ চিন্তা মানসত এক প্ৰবল জোকাৰণি কৰাৰ উপৰিও নাটকৰ ৰচনা ৰীতি, নাটকৰ ভাষা আৰু নাট্যমঞ্চৰ কলা-কৌশললৈ অভূতপূৰ্ব পৰিবৰ্তন আনে আৰু এইদৰেই নাট্য সাহিত্য আৰু অভিনয়ৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰে। ইব্ছেনৰ ব্যক্তিগত জীৱনৰ ঘটনা প্ৰবাহ আৰু সংঘাতবোৰেও তেওঁৰ সাহিত্যিক সাফল্যত প্ৰভাৱ পেলাইছে। সেই সময়ত ইউৰোপত প্ৰচলিত ৰোমান্টিক তথা আদৰ্শাত্মক নাট্যধাৰাৰ পৰিবৰ্তে বাস্তৱবাদী নাট্যধাৰালৈ তেওঁৰ উত্তৰণ। ৰোমান্টিক নাট্যৰীতিৰ পৰিবৰ্তনৰ লগে লগে তেওঁলৈ আহিল বিশ্বৰ শ্ৰেষ্ঠ নাট্যকাৰৰ খ্যাতি আৰু প্ৰতিষ্ঠা।

১৮৩৬ খৃঃত তেওঁৰ দেউতাক আৰ্থিকভাৱে দেউলীয়া হয়, লগে লগে ইব্ছেনৰ কাৰণে এক দুখৰ শৈশৱ আৰম্ভ হয়। কেৱল শৈশৱেই নহয়, যৌৱনৰো এছোৱা সময় তেওঁ দৰিদ্ৰতাৰ মাজতে কটাব লগা হৈছিল যদিও সৰু কালৰেপৰা তেওঁ নাটক আৰু মঞ্চ জগতৰ প্ৰতি আকৰ্ষিত হৈছিল। বিভিন্ন ভাষা আয়ত্ব কৰা আৰু অধ্যয়নৰ প্ৰতি আছিল প্ৰৱল দুৰ্বলতা। ১৮৫০ চনত তেওঁৰ প্ৰথম নাটক 'কেটেলিনা' (Cataline) প্ৰকাশ পায়। এই নাটক প্ৰকাশ হোৱাৰ আগলৈ একমাত্ৰ ফৰাচী দেশৰ বাহিৰে ইউৰোপৰ নাট্য সাহিত্যত বিৰাজ কৰিছিল এক স্থবিৰতা। ইব্ছেনৰ এই 'কেটেলিনা' নাটকেই ইউৰোপৰ নাট্য জগতৰ বৈপ্লৱিক পৰিবৰ্তনৰ সূচনা কৰে। ইব্ছেনৰ Cataline প্ৰকাশ হোৱাৰ পৰা ১৯৫০ চনত প্ৰকাশ হোৱা টি. এচ. ইলিয়টৰ The Cocktail Party নাটকৰ ব্যৱধান এশ বছৰ আৰু এই এশ বছৰ ইউৰোপৰ মঞ্চ তথা নাট্য সাহিত্যৰ এক বৈপ্লৱিক সময়। ইয়াৰ আগতে ইউৰোপৰ মঞ্চসমূহ আছিল কেৱল অসাৰ্থক প্ৰহসন, অপনাটক আৰু ধ্ৰুপদী নাটকৰ সমাবেশ। ইয়াৰ বিপৰীতে ইব্ছেনে সৃষ্টি কৰে সম্পূৰ্ণ বাস্তৱ বাদৰ ভেটিত যুগোতোৱা গদ্য নাটক। ইব্ছেনৰ এই নতুন নাট্যৰীতিৰ অভিবাদন জনাই প্ৰশংসাবাণীৰ স্বাগতম্ জনাইছে পিৰান্দেলো, উইলিয়াম আৰচাৰ, বাৰ্ণাডশ্ব আদিৰ দৰে নাট্যকাৰ আৰু নাট্যবিদসকলে। ইব্ছেনৰ বাস্তৱবাদী নাট্য সাহিত্য সৃষ্টিৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে মঞ্চ জগতৰ লগত সংযোগ। ১৮৫১ চনত বাৰ্গেন (Bargen) নেচনেল থিয়েটাৰৰ প্ৰতিষ্ঠাতা অল বুল (Ole Bull) ক লগ পায় আৰু সহকাৰী মঞ্চ পৰিচালকৰ চাকৰি পায়। ভাল প্ৰযোজক হিচাপে তেওঁ খ্যাতি লাভ কৰিব নোৱাৰিলেও এই সময়ছোৱাত তেওঁ ১৪৫খন নাটকৰ প্ৰযোজনাত অংশ গ্ৰহণ কৰি মঞ্চ তথা নাটক সম্পৰ্কে যথেষ্ট অভিজ্ঞতা অৰ্জন কৰে। থিয়েটাৰত আৰ্টডিৰেক্টৰ হিচাপেও তেওঁ কাম কৰি যথেষ্ট অভিজ্ঞতা অৰ্জন কৰে। নৰৱেজিয়ান থিয়েটাৰত তেওঁ ডিৰেক্টৰ পদত অধিস্থিত হৈছিল। ইয়াৰ পিছত তেওঁ ক্ৰিশ্চিনিয়া থিয়েটাৰত সাহিত্য পৰামৰ্শদাতা হিচাপে কাম কৰিবলৈ লয়। এই থিয়েটাৰত তেওঁৰ 'The Warrior's Burrow' নাটকখন অভিনীত হৈছিল। তেওঁৰ The Minev আৰু The Bird and The Trapper আদি কবিতাৰ মাজত নাট্যকাৰ্যৰ লক্ষণবোৰ পৰিস্ফূত হৈ উঠে। ইয়াৰ পিছত তেওঁ পূৰ্ণাংগ নাটক লিখিবলৈ আৰম্ভ কৰে। ১৮৫০ চনৰপৰা ১৮৬৩ চনৰ ভিতৰত তেওঁ প্ৰকাশিত নাটসমূহ হল - Cataline, Mid Summer Eva, The Warrior's Burrow, Lady Inger Ostraat, The Feast at Solhaug, Olaf Libigekrans, The Vikings at Helgeland, Haves Comedy আৰু Pretenders. নাট্যকাৰ হিচাপে তেওঁৰ নিজৰ বিকাশৰ ক্ষেত্ৰত এইবিলাকৰ প্ৰতিখনৰে মূল্য আছে কিন্তু নাট্যকাৰ হিচাপে তেওঁ বিশেষ খ্যাতি দিব পৰা নাছিল। ১৮৬৬ চনৰ ১৫ মাৰ্চত তেওঁ যুগান্তকাৰী নাটক Brand প্ৰকাশ হোৱাৰ লগে লগে স্কাণ্ডিনেভিয়াত হুলস্থুল লাগি পৰিল। পুৰণি চিন্তা আৰু প্ৰথাগত পুৰণি নৈতিক আঘাত কৰি লিখা তেওঁৰ এই নাটকখনে সমালোচক তথা পাঠকসকলক চমকিত কৰি তুলিলে। নাটকখনৰ উচ্চ আদৰ্শৰ বিষয়ে সমালোচকসকলে ভূয়সী প্ৰশংসা কৰিব ধৰিলে। ইব্ছেনৰ Brand নাটকৰ পৰৱৰ্তী নাটকবোৰ হ'ল—Peer Gynt, The League of Touth আৰু Emperor And Galiean. ১৮৮৬ চনত লিখা The League of Touth ত তেওঁ সফলভাৱে গদ্য ব্যৱহাৰ কৰিবলৈ লয় আৰু তাৰ পিছত সকলো নাটকতে গদ্য ব্যৱহাৰ কৰিবলৈ লয়। এই গদ্য সংলাপেই তেওঁৰ বাস্তৱবাদী নাটকসমূহৰ আগমন ঘোষণা কৰিলে। এই গদ্য সংলাপেহে তেওঁৰ নাটক সমূহক কৰি তুলিলে মূল্যৱান তথা তাৎপৰ্য্যপূৰ্ণ।

১৮৭৭ চনত ইব্ছেনৰ Pillars of society নাটক প্ৰকাশ পায়। ইয়াৰ পাছত ১৮৭৯ চনত


॥ ছিপাঝাৰ মহাবিদ্যালয় আলোচনী ॥

Doll's House আৰু ১৮৮১ চনত Ghost নাটক প্ৰকাশিত হয়। Pillars of society এ ইবছেনৰ নাট্য সাধনাৰ এক নতুন পৰ্ব্ব আৰম্ভ কৰে। Pillars of Society নাটক ইব্ছেনৰ সাহিত্যিক কৃতিত্ব আৰু মঞ্চ সাফল্যৰ এক উজ্বল স্বাক্ষৰ। নাটকখন প্ৰকাশ হোৱাৰ পাছতেই ই কোপেনহেগেন, স্কাণ্ডিনেভিয়া, ইংলেণ্ড আদিত মঞ্চস্থ হোৱাৰ পাছত ইবছেনৰ প্ৰতিভাৰ কথা সদৰি হৈ পৰিল। নাটকখনৰ জনপ্ৰিয়তাৰ মূলতে হল নাট্যকাৰে সৰল বিষয় বস্তুৰ এক সুস্থ ৰূপায়ন কৰিব পৰাতো। নাটকখনৰ কাহিনী চৰিত্ৰ আৰু নাটকীয় বিভিন্ন ক'লা কৌশলত নাট্যকাৰৰ পৈনত হাতৰ পৰশ পৰিস্ফূত হৈ পৰে। বৰ্ত্তমান জীৱনৰ কুৰুচি, মিথ্যাচাৰ, স্বাৰ্থপৰতা আদিয়ে সমাজ জীৱনক কেনেদৰে আগুৰি ধৰে ব্যক্তিৰ জীৱন বিৰমং কৰি তুলিছে তাকেই তেওঁ নাটকখনত দেখুৱাব খোজাৰ লগতে নাৰীৰ মুক্তিৰ আদৰ্শও তেওঁ নাটকখনত ফুটাই তুলিছে। ইয়াৰ লগতে প্ৰকাশ পাইছে সমসাময়িক জীৱনৰ জ্বলন্ত সমস্যাৰাজি।

Ghost নাটকত ইব্ছেনে উত্তৰাধিকাৰী সূত্ৰে পোৱা দোষ বা গুণ আৰু স্ত্ৰীসংসৰ্গীয় ৰোগৰ বিষয়বস্তু উত্থাপন কৰিছে। নাটক হিচাপে এইখনে নাটকীয় শ্ৰেষ্ঠত্বৰ এক উজ্বল নিদৰ্শন দাঙি ধৰে। এই নাটসমূহৰ ফলস্বৰূপে তেওঁ কঠোৰ সমালোচনাৰ সন্মূখীন হয়। সেয়ে ইয়াৰ প্ৰত্যুত্তৰত ১৮৮২ চনত লিখি উলিয়াই ব্যঙ্গাত্মক কমেডি The Enemy of The People. ঠিক তেনেদৰে—

The wild Duek নাটকত দুটা নতুন বৈশিষ্ট্যই প্ৰকাশ লভে অনুকল্পা আৰু প্ৰতীকবাদ, ইয়াৰ দুবছৰ পিছত প্ৰকাশ হয় Rosmensholm. এই নাটকৰ যোগেদি তেওঁ কৰলৈ বিছাৰিছে যে যি আদৰ্শই মানুহক সত্যভাষণৰ কাৰণে আগবঢ়াই নিয়ে, মানুহৰ সুখক ধৰি ৰখা ঠুনুকা আহঁডালৰ কাৰণে সেই সত্যভাষণ সদায় বাঞ্চনীয় হৈ নুঠে।

ইয়াৰ দুবছৰ পিছত ১৮৮৮ ত প্ৰকাশ হয় The lady from the Sea, ১৮৯০ চনত প্ৰকাশ হয় Hedda Gobler জীৱনৰ শেষ বয়সত লিখা তেওঁৰ Master Builder (১৮৯২) নিৰাশাবাদৰ বিচাৰ বিশ্লেষণ কৰি চাইছে। ইয়াৰ পিছত Little Eyolf আৰু John Gabriel Berkman নামেৰে দুখন নাটক লিখে।

হেনৰিক ইব্ছেনৰ শেষ নাটকখন হৈছে When we Dead Awaken. ১৮৯৯ চনত তেওঁৰ পেৰালাইচিচ্ হয়। ১৯০৬ চনত অচল'ত ইবছেনৰ ৭৮ বছৰ বয়সত মৃত্যু হয়।

এইজনা মহান নাট্যকাৰ হেনৰিক ইবছেনে বাস্তৱবাদী নাটসমূহৰ যোগেদি আধুনিক জগতৰ চিন্তামানসত এক প্ৰৱল জোকাৰণিৰ সৃষ্টি কৰাৰ উপৰিও নাটকৰ ৰচনাৰীতি, নাটকৰ ভাষা আৰু নাট্যমঞ্চৰ কলাকৌশললৈ অভূতপূৰ্ব পৰিবৰ্ত্তন আনে আৰু এইদৰেই নাট্যসাহিত্য আৰু অভিনয়ৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰে।

বিঃদ্ৰঃ প্ৰৱন্ধটি যুগুত কৰোতে বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হ'ল।



# চৰ্য্যাগীতত সামাজিক চিত্ৰ

শ্ৰীঅনিমা দেৱী
স্নাতক তৃতীয় বৰ্ষ

একোটা ধৰ্মীয় মতবাদ সৃষ্টি আৰু তাৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যম হৈছে সাহিত্য। সাহিত্যই একোটা জাতিৰ বৌদ্ধিক প্ৰগতিৰ লগতে সেই জাতিটোৰ এক বিশেষ সময়ৰ ধৰ্মীয় সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি বিভিন্ন চিন্তা-চৰ্চাৰ সম্যক ৰূপো দাঙি ধৰে। অসমৰ বৈষ্ণৱ গুৰু সকলে একসৰণ নামধৰ্ম প্ৰচাৰৰ অংগ হিচাপে ৰচনা কৰা বৰ-গীতবোৰৰ দৰে সহজজান পন্থী বৌদ্ধ সিদ্ধাচাৰ্য্য সকলে নিজৰ ধৰ্মমত প্ৰচাৰৰ অন্যতম বাহন হিচাপে খৃষ্টিয় ৮ম শতিকাৰ পৰা ১২শ শতিকাৰ ভিতৰত চৰ্য্যাপদসমূহ ৰচনা কৰে। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হলেও চৰ্য্যাপদ সমূহক সেই সময়ৰ উত্তৰ-পূৱ ভাৰতৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি বিভিন্ন দিশৰ দলিল হিচাপে অভিহিত কৰিব পাৰি।

ভাষাতাত্বিক দিশৰপৰা চালেও চৰ্য্যাপদত যিদৰে অসমীয়া, বঙলা, মৈথিলী, উৰীয়া আদি ভাষাৰ উমৈহতীয়া ৰূপ আমাৰ চকুত ধৰা পৰে, সমাজতাত্বিক দৃষ্টি-ভংগীৰ ফালৰপৰাও ধৰ্মীয় সাহিত্য এই চৰ্য্যাপদ সমূহত অসমীয়া, বঙলা, উৰিয়া, মৈথিলী আদি কেইবাখনো সমাজৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থ নৈতিক ধৰ্মীয় দিশৰ ছবি আমাৰ মানস পটত জাহি উঠে। কিন্তু এই সকলোবোৰ কিছুমান চিত্ৰ খণ্ডহে। সেই সময়ৰ সমাজত প্ৰচলিত আৰু দৈনন্দিন জীৱনত ব্যৱহৃত কিছুমান বস্তুৰ নামোল্লেখ পাৰিবাৰিক জীৱনত ব্যৱহৃত সম্বন্ধবাচক শব্দ আদিৰ জৰিয়তে তৎকালীন সমাজ-জীৱনৰ ভালে-মান খণ্ডচিত্ৰ সিদ্ধাচাৰ্য্য সকলে সুন্দৰকৈ সজাই তুলিছে এই চৰ্য্যাপদত।

অৱশ্যে এটা কথা ঠিক যে সহজীয়া সাধক সকলৰ মূল উদ্দেশ্য সমাজ চিত্ৰন নহয়; সহজীয়া সাধনতত্ব প্ৰচাৰ কৰাটোহে। অৱশ্যে তেওঁলোকে সমসাময়িক সমাজখনক বাদ দি ধৰ্ম প্ৰচাৰ বা সাহিত্য চৰ্চা কৰা সম্ভৱো নাছিল! সেয়েহে সিদ্ধাচাৰ্য্যসকলে সেই সময়ত সমাজ জীৱনত প্ৰচলিত বিভিন্ন উপাদানক উপমা, প্ৰতীক বা ৰূপক হিচাপে লৈ ৰহস্যময় ভাষাত তেওঁলোকৰ সাধনৰ পথ নিৰ্দ্দেশ কৰিছে।

চৰ্য্যাপদ ৰচনাৰ সময়তো দেশত জাতি-ভেদ প্ৰথা আছিল। নীচ জাতিৰ লোকে উচ্চ জাতিৰ লোকক স্পৰ্শ কৰাটো গৰ্হিত কাম বুলি ধৰা হৈছিল। অৱশ্যে উচ্চ নীচৰ মাজত কেতিয়াবা অসবৰ্ণ বিবাহো হৈছিল। নৃত্যপৰায়ণও আছিল কাৰণে ডুমুনী, শবৰী আদি তিৰোতা সকলেও ব্ৰাহ্মণ কুলত ওপজা পুৰুষৰ মন মুগ্ধ কৰিবলৈ সমৰ্থ হৈছিল। এটি ৰূপকাত্মক গীতত কাহ্নুপাদে কৈছে—

"নগৰ বাহিৰী ৰে ডোম্বি তোহাৰি কুড়িআ
ছোই ছোই জাহ সো ব্ৰাহ্মণ নাড়িআ ॥"

—সেই সময়ত যৌতুক প্ৰথাৰো প্ৰচলন আছিল আৰু যৌতুকৰ লোভত অনুসুচিত সম্প্ৰদায়ৰ ছোৱালীকো বিয়া কৰোৱা হৈছিল। কাহ্নুপাদৰ গীত এটিত আছে—

'ডোম্বী বিবাহীআ অহাৰিউ জাম।
জউতুকে কি অ আনতু ধাম ॥"

চৰ্য্যাপদ কালীন উত্তৰ-পূৱ ভাৰতত ৰাগ প্ৰধান গীতে যে বিশেষ সমাদৰ লাভ কৰিছিল তাৰ প্ৰমাণ দিয়ে বিভিন্ন ৰাগত ৰচিত চৰ্য্যা-গীত সমূহে। চৰ্য্যাৰচক সকল আছিল একো একোজন অভিজ্ঞ সংগীতজ্ঞহে। তেওঁলোকে আঠৈকুৰি চৰ্য্যাত প্ৰায় কুৰিটা ৰাগ ব্যৱহাৰ কৰিছিল। তাৰ ভিতৰত পটঞ্জৰী, গবড়া, ভৈৰৱী, কামোদ, ধনশ্ৰী, গউড়া, শবৰী, মল্লাৰী ইত্যাদি।

চৰ্য্যাকালীন সময়ত সমাজত নৃত্য চৰ্চাৰো বিশেষ প্ৰচলন আছিল বুলি বিভিন্ন চৰ্য্যাত থকা নৃত্যৰ উল্লেখৰ পৰা জানিব পাৰি।

"এবাসো পাড়ুমা পাঁখুড়ী
তাহ বড়ি নাঁচ অ ডোম্বী বাপুড়ী।"

নৃত্য-গীতৰ লগে লগে বীণা, বাহী, পটহ, মাদল, দুন্দুভি, ডম্বৰু আদি বিবিধ বাদ্য যন্ত্ৰৰ উল্লেখো চৰ্য্যাত মন কৰিবলগীয়া।

তান্ত্ৰিক সহজীয়া বৌদ্ধধৰ্ম প্ৰচাৰৰ মাধ্যম চৰ্য্যাগীত সমূহত সমসাময়িক আন ধৰ্মীয় বিশ্বাসৰ ছবিও চিত্ৰিত হৈছে। সেই সময়ত ধনীলোক সকলে হৰিহৰ ব্ৰহ্মা'ৰ প্ৰতিমা প্ৰতিষ্ঠা কৰি পূজা-অৰ্চনা কৰিছিল। দুই-এটা চৰ্য্যাত সেই সময়ৰ ধাৰ্মিকলোকসকলে আগম পুথি পঢ়া, কোনোৱে অৰ্ঘ্য লৈ পূজা আৰু মালা জপ কৰাৰ কথা উল্লেখ আছে। হাড়ৰ মালা পিন্ধি সাধন কৰা কাপালিক যোগীৰ নট বৃত্তি, বেশ ভূষা আৰু আচৰণৰ নিখুত ছবিও চৰ্য্যাত ফুটি উঠিছে।

প্ৰাচীন ভাৰতীয় সমাজখন প্ৰধানকৈ কৃষি ভিত্তিক গ্ৰামীন সমাজ। চহকী কৃষকসকলে কৃষি কামৰ বাবে বলধ আৰু গাখীৰৰ বাবে গাই পুহিছিল। ভাত আছিল সেই সময়ৰ মানুহৰ প্ৰধান খাদ্য। এতিয়াৰ দৰে চৰ্য্যাপদৰ সময়তো সমাজত ধনী, দুখীয়া, দুটা শ্ৰেণী আছিল। দুখীয়ালোকসকলে দুবেলা দুসাজ ভাতৰ কাৰণে চিন্তা কৰিব লগা হৈছিল ভাৰতীয় মানুহ যে অতিথি পৰায়ন —এই কথাটো 'হাড়ীত ভাত নাই নিতিআবেশী'— উক্তিৰ পৰাই জানিব পাৰি। আনফালে ধনী লোকসকলে ৰজাৰ তাম্ৰ শাসন, দলিল আদিৰ দ্বাৰা প্ৰচুৰ ভু-সম্পত্তি লাভ কৰাৰ ছবিও কোনো কোনো চৰ্য্যাত ফুটি উঠিছে।

তিৰোতাসকলে নানা ধৰণৰ প্ৰসাধন-দ্ৰব্য আৰু অলংকাৰ ব্যৱহাৰ কৰিছিল। চোৰে সুবিধা পালে অলংকাৰ-পাতি চুৰি কৰিও নিছিল।

'কানেট চোৰে নিল অধৰাতী।' (কুক্কুৰীপাদ)
(মাজ নিশা চোৰে কাণৰ অলংকাৰ লৈ গ'ল)

চুৰি ডকাইতিৰ প্ৰতিকাৰৰ অৰ্থে চোকা প্ৰহৰীৰ ব্যৱস্থা আছিল আৰু দুৱাৰত তলাও লগোৱা হৈছিল।

'দুআৰে দিঢ় তালা বি দিজ্জই। (সৰহপাদ)
(দুৱাৰত ভাল তলা লগাবা)

চৰ্য্যাপদত নিম্ন বৃত্তিধাৰী লোকৰ জীৱন চৰ্চাই বিশেষভাৱে প্ৰাধান্য লাভ কৰিছে। তাঁতী চিকাৰী, কৈৱৰ্ত্ত, যোগী আদি নিম্ন শ্ৰেণীৰ বিভিন্ন লোক জীৱন আৰু তেওঁলোকৰ কৰ্মক সিদ্ধাচাৰ্য্যসকলে ধৰ্মীয় সাধনাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছিল। দ্ব্যৰ্থবোধক সেই প্ৰতীক সমূহৰ মাজেদিয়ে তৎকালীন গণ সমাজে তাঁত বৈ কপাহ ধুনি, নাও বাই বাঁহবেতৰ কাম কৰি হাতীপুহি জীৱন নিৰ্বাহ কৰাৰ ছবি অতি সজীৱ হৈ উঠিছে। এনেবোৰ কামত নাৰীৰ ভূমিকা মন কৰিবলগীয়া। জালেৰে মাছ মৰা আৰু হৰিণ চিকাৰ কৰা সেই সময়ৰ মানুহৰ প্ৰধান ব্যৱসায় আছিল। গতিকে ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে মাছ, হৰিণা, আদি আন বন্য প্ৰাণীৰ মঙহ মানুহৰ প্ৰিয় খাদ্য আছিল। সেই সময়ৰ সমাজত বিশেষকৈ নিম্ন শ্ৰেণীৰ লোকৰ মাজত মদৰ ব্যৱসায়ৰো বিশেষ প্ৰচলন আছিল। এই ক্ষেত্ৰত মহিলাই বিশেষ 'ভূমিকা লৈছিল।

চৰ্য্যাপদত সাধাৰণ মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা বিভিন্ন বস্তুৰ নাম পোৱা যায়— হাড়ী (চৰু), পিটা (গাখীৰ খিৰোৱা পাত্ৰ), ঘড়ি (ঘটি), ঘড়লী (কাৰ) আদি বাচন বৰ্ত্তনে সেই সময়ৰ মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ ইংগিত দিয়ে। তদুপৰি খৰি ফালিবৰ বাবে কুঠাৰ' আৰু পথাৰত কাম কৰিবৰবাবে 'খন্তি' (নখালি) ব্যৱহাৰ কৰিছিল বুলি জানিব পাৰি।

সুসুৰো, সাসু, বাহড়ী, ননন্দ আদি শব্দ প্ৰতীক হিচাপে বিভিন্ন চৰ্য্যাত ব্যৱহাৰ হৈছে আৰু সেইবোৰৰ দ্বাৰা চৰ্য্যাত গাৰ্হস্থ্য জীৱনৰ ছবিও খণ্ডিত ৰূপত সজীৱ হৈ উঠিছে। কিছুমান চৰ্য্যাত শাহু, শহুৰ, ননন্দ আৰু বোৱাৰীৰে পৰিবেষ্টিত এখন ভৰা সংসাৰৰ ছবি সুন্দৰকৈ ফুটি ওলাইছে, খুলশালীৰ (শ্যালী) ভূমিকাও মন কৰিবলগীয়া।

তামোলৰ বাবে অসম বিখ্যাত। তামোলৰ লগত কৰ্পূৰো খোৱা হৈছিল। কৰ্পুৰ তামোলৰ লগত প্ৰেম-প্ৰীতিৰ ভাৱ জড়িত হৈ আছে। শবৰপাদে এটি গীতত কৈছে—

'হি অ তাঁবোলা মহাসুখে কাপুৰ খাই।'
(হৃদয় তামোলৰ লগত কৰ্পুৰ মহাসুখে খাওঁ)'

আমোদ প্ৰমোদৰ কাৰণে সেই সময়ৰ মানুহে বিভিন্ন ধৰণৰ খেলা-ধুলা কৰিছিল। সেইবোৰৰ ভিতৰত ডবা-খেলে বেছি জনপ্ৰিয় আছিল। ১২ নং চৰ্য্যাত ডবা খেলৰ দ্বাৰা ধৰ্মতত্ত্ব ব্যাখ্যা কৰিছিল। হাতীৰ দ্বাৰা পাচজনা শিষ্য নিহত আৰু শেষত মন্ত্ৰীৰ হাতত ঠাকুৰ বা ৰজাৰ পৰাজয় দেখুওৱা হৈছে। চৰ্য্যাপদত সেই সময়ত যে বিভিন্ন ধৰণৰ বাহনৰ ব্যৱস্থা আছিল তাৰ আভাষ সুন্দৰ ভাৱে পোৱা যায়। এইবোৰৰ ভিতৰত নৌকাই প্ৰধান যান-বাহন আছিল। স্থলযানৰ ভিতৰত ৰথৰ উল্লেখো মন কৰিবলগীয়া।

এইদৰে চৰ্য্যাপদত অষ্টম দ্বাদশ শতিকাৰ উত্তৰ-পূৱ ভাৰতীয় সমাজখনৰ সামাজিক ৰাজ-নৈতিক, অৰ্থ নৈতিক আৰু সাংস্কৃতিক জীৱনৰ ভালেমান খণ্ডচিত্ৰ সজীৱ আৰু নিখুত ভাৱে চিত্ৰিত হৈছে। ★

# খটৰা সত্ৰ আৰু ইয়াৰ অতীত

শ্ৰীজন্মিজয় কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

"খটৰা গোসাঁই ঘৰ
দেখোতে ভয়ংকৰ
ছকুৰি নাহৰৰ খুটা"

শ্ৰদ্ধাত মূৰ দো খাই পৰা খটৰা সত্ৰত তাহানিতে কোনো সন্যাষী নামতীয়ে গোৱা উক্ত পদ ফাকি আজিও নামতীৰ মুখে মুখে বিদ্যমান। যেতিয়া শংকৰ-মাধৱদেৱে অসমত বৈষ্ণৱ ধৰ্মৰ বীজ ৰোপন কৰিছিল সেই সময়ত মাধৱদেৱৰ প্ৰিয় শিষ্য লেচাকনীয়া গোবিন্দ আতৈয়ে খটৰা সত্ৰ প্ৰতিষ্ঠা কৰিছিল আজিৰ পৰা কেইবাশ বছৰ আগতে। পশ্চিম মঙ্গলদৈৰ দিপীলা মৌজাত অৱস্থিত এই মিলনৰ তীৰ্থ খটৰা সত্ৰ।

তাহানিতে হেনো সেই ঠাইত গভীৰ অৰণ্যই ঠাহ খাই আছিল। যেতিয়া বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে গোবিন্দ আতৈ দৰং অভিমুখে আহি সেই ঠাই পালে তেতিয়া দেখিলে, 'দেখে ধন্দুকে সৰ্প গিলি আছে তাত", অৰ্থাৎ বামুন ভেকুলীয়ে সাপ গিলিছে। তেতিয়া আতৈয়ে বুজিলে যে এই ঠাইৰ মহিমা অপাৰ। সেয়েহে ওচৰৰ মানুহক বুজাই-বঢ়াই তাত ধৰ্ম খুটি পুতিব খুজিলে। কিন্তু প্ৰথমে তাৰ মানুহক বুজাব নোৱাৰি আতৈ বিফল হ'ল আৰু গুৰুৰ ওচৰলৈ গ'ল। গুৰু মাধৱদেৱে আতৈৰ লগত ৰাম, লক্ষ্মন, সীতা আৰু হনুমানৰ মূৰ্ত্তি দিলে আৰু কলে যে ইয়ে কাম সিদ্ধি কৰিব। এই মূৰ্ত্তি স্থাপন কৰিয়ে আতৈয়ে খটৰা বাসীৰ মন মুহিলে।

আতৈয়ে স্থাপন কৰা ভেটিটোক "আতৈ ভেটি" নামেৰে নামাকৰণ কৰা হৈছিল। বৰ্ত্তমান খটৰা মন্দিৰ অৱশ্যে আতৈ ভেটিৰ কিছু উত্তৰ ফালে স্থাপন কৰা হৈছে।

খটৰা সত্ৰৰ কিছুমানলোক-বিশ্বাস প্ৰচলিত আছে। সত্ৰৰ হনুমান মূৰ্ত্তিটো উলিয়ালেহেনো খৰাং বতৰ হলে ৰৰষুণ দিয়ে, দ্বিতীয়তে ইয়াত ছকুৰি চাকি জ্বলোৱা হয়। এই ছকুৰি চাকি

# মহৎলোকৰ বানী ঃ-



মানৱ সেৱাৰ মাজেদি মই ঈশ্বৰক পাবলৈ যত্ন কবি আছো, কাৰণ মই জানো যে ঈশ্বৰ স্বৰ্গতো নাই, পাতালতো নাই, প্ৰত্যেকৰে অন্তৰত লুকাই আছে ।

—মহাত্মা গান্ধী



"আমি যদি আমাৰ সভ্যতা সংস্কৃতি সাৰ্বভৌম আদৰ্শৰ পৰা আতৰাই আমাৰ মনটোক লুইতৰ বৰচাপৰিতেই এৰাল দি থওঁ, তেন্তে আমাৰ মনটোও অসনৰ গৰুৰ দৰে টিলিকা হৈ থাকিব ।"

—জ্যোতিপ্ৰসাদ

# অলপ হাঁহো আহক

বিশ্বকৰ্মা পূজাৰ দিনা বন্ধুৰ ঘৰত উপস্থিত হৈ দেখোঁ বন্ধুৱে সকলো আয়োজন কৰি সমুখৰ পূজাৰ বেদীত ঘট স্থাপন কৰি বেদীৰ কাষতে আওপুৰণি ভঙা চাইকেল এখন ৰাখি পূজাৰ মন্ত্ৰ পাঠ কৰিছে—

দ্বি চক্ৰে চালিতং ৰথঃ বায়ু বেগন সম্বন্বিত
হোন্দোনং পেন্দোলং, ৰিং টায়াৰ, টিউবেনংচ
মাদ, গাবেনং বসঃ ॥ দ্বি-সপ্তাবি শ্লোকং স্তোকংচঃ
ময়ূৰ ঘন্টা । হে চাইকেলংত্বং নমোঃ নমঃ ।

শ্ৰীগীতাঞ্জলী দেৱী
স্নাতক ২য় বাৰ্ষিক ক'লা



ছিপাঝাৰ মহাবিদ্যালয়
আলোচনী সম্পাদনা সমিতি
১৯৯৪-৯৫ চন।

যি সকলৰ উৰ্বৰ মগজুৰ চিন্তা প্ৰসূত পাঠদান আৰু সস্নেহ অভিভাৱকত্বেৰে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক সততে আৱৰি ৰাখে, সেই সকল শ্ৰদ্ধেয় শিক্ষাগুৰু আৰু যাৰ কুশলী হাতৰ পৰশত মহাবিদ্যালয়ৰ কাৰ্য্যালয়, চৌহদ তৎপৰ হৈ থাকে, সেই কাৰ্য্যালয় সহায়ক সকলৰ একাংশ।



প্ৰথম শাৰীত বহি বাওঁফালৰ পৰাঃ অধ্যাপিকা মোহিনী গোস্বামী, অধ্যাপক চন্দ্ৰ চৌধুৰী, অধ্যাপক ইমৰাণ হুছেইন, অধ্যাপক চক্ৰপাণি বড়া, অধ্যাপক ইমৰাণ হুছেইন, অধ্যাপক মহেন্দ্ৰ কটকী, অধ্যাপক কনক চন্দ্ৰ ডেকা, অধ্যক্ষ বেৰণ চন্দ্ৰ নাথ, অধ্যাপক দ্বিজেন্দ্ৰ তালুকদাৰ, অধ্যাপিকা তন্দ্ৰালী চৌধুৰী, অধ্যাপিকা প্ৰভা দেৱী, অধ্যাপিকা গুলতাজ বেগম, অধ্যাপিকা বৰ্ণালী শৰ্মা, অধ্যাপিকা মালিনী নায়াৰ (দত্ত), অধ্যাপক দেৱব্ৰত বৰদলৈ।

দ্বিতীয় শাৰীত থিয় হৈ বাওঁফালৰ পৰা ঃ মহেন্দ্ৰ শৰ্মা (কাৰ্য্যালয় পিয়ন), হৰেণ বড়া(চকীদাৰ), বেৰকান্ত ডেকা (পুথিভঁড়ালৰ যোগালি), অধ্যাপক মুকুল চহৰীয়া, গৌতম বৰুৱা (কাৰ্য্যালয় সহায়ক), টংকেশ্বৰ ডেকা (কাৰ্য্যালয় সহায়ক), অধ্যাপক তিলক ডেকা, অধ্যাপক ৰাম চন্দ্ৰ ডেকা, অধ্যাপক আব্দুছ চামাদ, অধ্যাপক অনন্ত বৰুৱা, অধ্যাপক প্ৰসন্ন কুমাৰ নাথ, অধ্যাপক জয়ন্ত হাজৰিকা, অধ্যাপক দিবাকৰ দাস, অধ্যাপক ফনিন্দ্ৰ নাথ, পদ্ম হাজৰিকা (কাৰ্য্যালয় সহায়ক), গজেন চহৰীয়া (কাৰ্য্যালয় সহায়ক)।

# কবিতা

## ॥ নীলকণ্ঠ ॥



নিশাৰ অন্ধকাৰে—
সপোনৰ জড়তা ভাগে,
আলফুলে সাঁচি ৰখা
হৃদয়ৰ মৰমখিনি
কেতিয়াবাই অনল হ'ল ।

সভ্যতাৰ চৌ-ঘৰত
তৃষ্ণাতুৰ শিশুক
স্তনপান কৰাওঁতে
জননীৰ বক্ষস্থলত
অজানিতে গৰল উপজিল ।

পালে জানো সিহঁতে কাহানিবা
অমৃতৰ সন্ধান ?
সুযোগ সন্ধানী দানৱৰ দলে
কাঢ়ি নিছে নিতে সিহঁতৰ প্ৰজ্ঞা
তথাপিও নপলায় প্ৰানৰ তৃষ্ণা

জীয়াই থকাৰ অদম্য বাসনাত
গৰল কৰিলে পান অবিৰাম
তথাপিও নাই মৃত্যু সিহঁতৰ
সিহঁত যেন নীলকণ্ঠ ।

Estd.-1971
Date........

শ্ৰীকল্পনা বৰুৱা
স্নাতক ৩য় বাৰ্ষিক ।

# এটি গীত

শ্ৰীনিৰঞ্জন শৰ্মা
স্নাতক ২য় বাৰ্ষিক

পলাসৰ বিদায়ত ফুলিছে কপৌ ফুল
খত্ খত্ তাঁতৰে মাত
চেনাই ঐ,
ছিগিলি জেতুকাৰ পাত
বিহু বিহু লাগিল মোৰ গাত ।

জেতুকাৰ ৰঙেৰে হলি তই ৰাঙলী
মন মোৰ দহিলি ঐ,
প্ৰাণত বাজে,
কুলিৰে মাত
বিহু বিহু লাগিল মোৰ গাত ।

আইতাৰ কথাতে
বুকু মোৰ কঁপিছে
গাঁৱৰহে লখিমী গাঁৱলৈ আনিবি
এই বহাগতে তোৰ.................
বয়স যে আগলতি পাত
প্ৰাণত বাজে,
যঁতৰৰ মাত
বিহু বিহু লাগিল মোৰ গাত ।

ভনিটিয়ে গোটালে,
ধানৰ শি শিলিখা
ভাইটিয়ে গোটালে,
হুৰুৰী বেলৰে পাত
প্ৰাণত বাজে,
চিনাকী মাত
বিহু বিহু লাগিল মোৰ গাত ।



# উপলব্ধি

শ্ৰীপৰন ডেকা
স্নাতক প্ৰথম বাৰ্ষিক

হৃদয়ত গভীৰ প্ৰত্যয় লৈ
ওলাই আহিলো
এন্ধাৰ গুহাৰ পৰা
বুকুত হাত থৈ, কি অপূৰ্ব অনুভূতি ।

মোৰ জনমভূমি, আই
আজিও সাৰে আছে ॥

জীয়াই থকাৰ নতুন আশাই
মোক হাতত ধৰি লৈ যায়
পোহৰলৈ
চৌদিশে পোহৰ আৰু পোহৰ
আৰু ভয় নাই ।

বেলিটোৱে নীল আকাশত
সোণালী ৰং ছটিয়াই
মোৰ সমগ্ৰ সত্বাত
কি যে এক নৱ শিহৰণ ।

# বিষাক্ত তেজৰ চেতনা

শ্ৰীযোগেশ্বৰ নাথ
স্নাতক ৩য় বাৰ্ষিক

বিষাক্ত তেজৰ চকুলোৰ,
মাতৃৰ বুকুত পৰিগৰ্ভিত হৈ,
সপোনৰ ফুৰাৰ ভাঙিম, থাকো মানে জীয়াই—
জয় যাত্ৰাৰ পন লৈ ।।

কুৰি শতিকাৰ বিষাক্ত চেতনাই—
পিন্ধাইছে মুক্তিৰ সাজ মাতৃৰ বুকুত উমলি
নিষ্পেষিত চকুলোই উটুৱাই আনে,
শত জনতাৰ মানৱতাৰ পহুলি ।।

মাহী আইৰ সৃষ্টিত
সূৰ্য্যৰ স্থায়ীত্বক লৈ
কৰিছো পোহৰৰ যাত্ৰা,
বিজয়ৰ ওৰণী বৈ ।।

# পোহৰ বিচাৰি



দিনৰ পোহৰ গ'ল আঁতৰি
এন্ধাৰে ধৰিলে
চৌদিশ বিয়পি ।

জোন-তৰা দেখোনেকি
আকাশৰ ফালে চাওঁ
কালমেঘে ধৰিছে আৱৰি ।

পোহৰ দেখো নেকি
চাৰিওফালে চাওঁ ঘূৰি
ক'তা ! একোকেই নেদেখি

অন্ধৰ দৰে গৈছোঁ আগবাঢ়ি
খোজ দিছো খুপি খুপি
খোজেপতি খাওঁ উজুতি
যায় মোৰ ভৰিৰ আঙুলি ফাটি ছিগি ।

এনেকৈয়ে পোহৰ বিচাৰি বিচাৰি
ভাগৰি পৰিছো আজি,

ৰেতিয়ালৈকে নপৰো ভাগৰি
তেতিয়ালৈকে যাম পোহৰ বিচাৰি
নাযাওঁ আৰু পিচলৈ ঘূৰি
এন্ধাৰৰ লগত যাম যুঁজি ।


শ্ৰীবিনয় চন্দ্ৰ শৰ্মা
স্নাতক ৩য় বাৰ্ষিক




# আশাৰ চাকি

※


শ্ৰীগজেন শৰ্মা
স্নাতক ৩য় বাৰ্ষিক


যৌৱনৰ আদিম পুৱাতে
মলয়া যে বলিল এচাটি,
কঁপি কঁপি জ্বলিল শলিতা
হ'ল সেয়েই আশাৰ চাকি ।
চাকি গছি জ্বলাই হিয়াত
থাপনা পাতিলোঁ,
প্ৰতিশ্ৰুতিও দিলো গুপুতে
আজীৱন ৰাখিব জ্বলাই ।
মলয়াৰ মৃদু পৰশত
উঠে শিখা নাচি বাগি জ্বলি,
মালিনীৰ ফুলৰ মাজৰ
যেন গোলা কলি ।
পাপৰিৰ সুবাসতে উন্মনা হৈ
মৌ ভ্ৰমৰ গানে;
চগাৰ লগত চাকি
ঘূৰে আহি বিনা নিমন্ত্ৰণে ।
ধীৰে ধীৰে আলসুৱা গোলাপ কলিটি
ভোমোৰাৰে একাকাৰ হ'ল ।
ভালপোৱাৰ প্ৰথম প্ৰতিশ্ৰুতি
মৌটিৰ অথলে গ'ল ।
সেইদিন ধৰি মৌটিয়ে
ফুলনিলৈ নাযায় কোনো কাৰণতে
বনৰীয়া ফুলৰ সতেই
সুখে-দুখে হাঁহি-কান্দি ফুৰে ।
তেতিয়াৰ পৰা হ'লো মই
আজীৱন অকলশৰীয়া;
শ্ৰেষ্ঠ বুলি সেই প্ৰতিদান
আদৰিলোঁ বুজি মনে মনে
মোৰ হিয়াৰ ফুলনি খনি
শ্মশানত পৰিণত হ'ল ;
উদাসীন মনৰ মাজত গোলাপ কলিটি
মাথোন স্মৃতি হৈ ৰ'ল ।

০০০



# আশা

● মিনু শইকীয়া
স্নাতক ২য় বাৰ্ষিক (কলা)

আশাভৰা জীৱন এই
কত আশা বুকুতে সাৱটি
কৰিছো কত দিন কত সন্ধিয়া,
তথাপিও কিয় বাৰু
নহয় আশাৰ অন্ত
মানৱ জীৱন।
দুদিনীয়া জীৱন মাথো
কত যে কিমান কল্পনা
নাই পাৰাপাৰ, যেন
বিশাল সাগৰ খনি,
হব জানো দিঠক কেতিয়াবা
মধুৰ কল্পনা।
আশাহীন জীৱন এটি,
বঠাহীন নাৱৰ দৰেই,
সীমাহীন আশা লৈ সেয়েহে
কত ৰঙীন কল্পনা,
কিন্তু হায়!
ক্ষন্তেকতে হৈ যায় সকলো
ভাঙি চুৰমাৰ, নামি আহে
নিৰাশাৰ অন্তৰ কঁপোৱা ঢল,
আশাৰ অন্তত নিৰাশাৰ বা বলে
যেতিয়া, তেতিয়া
বেদনা যে কিমান গভীৰ,
বুজিব কোনে বেদনাৰ সৌ গভীৰতা,
আশাৰ ৰেঙনি মাথো ক্ষন্তেকীয়া। ●

# পূজা

● টুটু চহৰী
স্নাতক ২য় বাৰ্ষি

ফুল ফুলা প্ৰভাতত
মোৰ হৃদয়ত বিষ
হাড়ত বিন্ধিছিল কাঁইটে
গ'ল বহাগতে।

টিপচাকি নোহোৱাকৈ
বাটকুৰি বাওঁতে বাওঁতে
প্ৰিয় হ'ল মোৰ
এন্ধাৰহে।

-:():-

# প্ৰতীক্ষা

● মধু না
স্নাতক ২য় বাৰ্ষি

ঠিকেই ফুলিছিলা শেৱালি তুমি
কিন্তু তেজালহে নহ'লা
তথাপি—
এইবেলি শৰতলৈ বাট চাম…………

—()—



# তোমালৈ

★ ইমৰান হুচেইন
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

মই স্পৰ্শ কৰিছোঁ
তোমাৰ মৰুভূমিৰ দৰে নিসঙ্গতাবোৰ
কিন্তু তুমিতো জানা
মৰুভূমিত থাকে মৰুদ্যান
আৰু মৰুদ্যানত জলাশয়
আৰু জলাশয়ত পদুম

কেতিয়াবা তুমি বাওঁহাতৰ মুঠিত সমৰ্পন কৰিছা
তোমাৰ সন্তৰনাময় সোঁহাতৰ সেউজ আঙুলিবোৰ
অথচ
মেলি দিলেই প্ৰতিটো আঙুলিতেই
ফুলে সহস্ৰ সূৰ্য্যমুখী

মই দেখিছোঁ
মুখাৰ আঁৰৰ মুখাৰ তলত
তোমাৰ তন্দ্ৰা-কোমল সৰল মুখ
এয়া যেন সপোনৰ ভিতৰত সপোন

তুমি হবলা নাজানা
কিন্তু তোমাক দেখুৱাবলৈ মোৰ
নাই যে কোনো দাপোন।

# ঃ মই ঃ

● জ্যোতিষ ভট্টাচাৰ্য
স্নাতক ২য় বাৰ্ষিক

"বুজি নোপোৱা
শুনা নুশুনা কাৰোবাৰ
ফুচ্ ফুচিয়া মাত।"
আন্ধাৰ! চাৰিওফালে আন্ধাৰ
দূৰত এটি ধোঁৱা সদৃশ পোহৰ।
নিৰৱতাত কিছুমান পোক
কিৰিত কাৰাত তিৰবিৰিয়া শব্দ॥
মেঘে ঢাকা আন্ধাৰৰ ঢৌ লাগি
দৃষ্টিও হেৰাই গ'ল।
ধুমুহা বলিছে……………
উভালি গছ-গছনি।
বৈ বৈ গছবোৰৰ আৰ্তনাদ
আৰু! আৰু কাৰোবাৰ দালপাত
পেলাই গ'ল শেষ নিশ্বাস।
বিচাৰি ফুৰিলো কোন আহিছিল তাত
ধুমুনিয়াৰ শেষত বুজি
সুধিলো নিজক কোন মই!
কি বিচাৰিছো ইয়াত!
থমকিলো ছাঁতো হৈ
কি কৰিছো উত্তৰ দিবলৈ।
জাহি গ'ল গোটেই পাত
এটি ধুমুহাত।
ভাঙি গ'ল ডালবোৰ
কোন মই চিনিব নোৱাৰা অৱস্থাত। ★

Estd. -1971
Date……

**ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সম্পাদক আৰু বিভাগীয় তত্ত্বাৱধায়ক সকল ১৯৯৪-৯৫ বৰ্ষ**



**বহি বাওঁফালৰ পৰাঃ** অধ্যাপক কনক চন্দ্ৰ ডেকা (কাৰ্য্যকৰী সভাপতি), অধ্যাপক প্ৰসন্ন কুমাৰ নাথ (তত্ত্বাৱধায়ক,আলোচনী বিভাগ), অধ্যাপক চক্ৰপাণি বড়া (তত্ত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ), অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ (সভাপতি), অধ্যাপক ৰামচন্দ্ৰ ডেকা (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), অধ্যাপক মহেন্দ্ৰ কটকী (তত্ত্বাৱধায়ক, খেলবিভাগ), অধ্যাপক ফনীন্দ্ৰ নাথ (তত্ত্বাৱধায়ক,সমাজ সেৱা বিভাগ)।
**থিয় হৈ বাওঁফালৰ পৰাঃ** হিতেশ্বৰ চহৰীয়া (সম্পাদক, সমাজ সেৱা বিভাগ), দিলীপ কুমাৰ শৰ্মা (সম্পাদক আলোচনী বিভাগ), কল্প কুমাৰ ডেকা (সম্পাদক, খেলবিভাগ), পৰেশ বৰুৱা (সাধাৰণ সম্পাদক), বিশ্বজিৎ শৰ্মা (সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ)।

# খিৰিকীত সেউজীয়া অতীত বিধ্বস্ত বৰ্তমান

★ অসীম কুমাৰ নাথ
স্নাতক ২য় বাৰ্ষিক

কিতাপৰ সতে এক নিবিড় বন্ধুত্ব নিলয় দত্তৰ। তিনিকুড়ি বছৰে গড়কা নিলয় দত্ত, জীৱনৰ পোৱা-নোপোৱা বহু অভিজ্ঞতাৰে পৰিপুষ্ট তেওঁ।

"১৮৬৪ চনৰ জুন মাহৰ এটা পৰিস্কাৰ ৰাতিপুৱা। ইজৰাইলৰ প্ৰখ্যাত ছাত্ৰ নেতা হেনৰিৰ নেতৃত্বত পাঁচশ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটাই দুৰ্নীতি গ্ৰস্ত সমাজ ব্যৱস্থাৰ বিপক্ষে প্ৰতিবাদ সাব্যস্ত কৰি, ৰাজপথত কেৰাচিন ঢালি মৃত্যু বৰণ কৰে······· । হঠাৎ যেন সাৰ পাই উঠে ইজৰাইলবাসী প্ৰচণ্ড ক্ষোভত জনতাৰ মুখ-মণ্ডল কপি উঠে, লুপ্ত বিদ্ৰোহৰ অগনি যেন হঠাৎ জাগ্ৰত হৈ পৰিল। ৰাজপথত নামি পৰে বিদ্ৰোহী জনতা··············· ।

ঘটনাৰ আকস্মিকতাত স্তম্ভিত হৈ পৰে প্ৰশাসন······· ; বিকল হৈ পৰে শাসন যন্ত্ৰ······· । বিদ্ৰোহী জনতা আগবাঢ়ে··········সিহঁত যেন আজি বাধাহীন সিহঁতৰ চকুত সেউজীয়া স্বপ্নৰ জিলমিলনি। দূৰৈত শাৰী শাৰী পৰ্বত মালা। সোঁৱে বাঁৱে সন্মুখে-পশ্চ্যাদে মেঘৰ ঘন আস্তাৰণ, মুক্ত পৃথিৱী, নীল আকাশৰ তলত সিহঁতে পতাকা উৰুৱালে স্বাধীনতাৰ··········· । এটা উদ্ভিন্ন আনন্দত সিহঁত উৎফুল্ল হৈ উঠিল······· ।"

—ইংৰাজী লিখক "থেমচ"ৰ উপন্যাসখন পঢ়ি শেষ কৰি দত্তই চকীখনত পোন হৈ বহিল। চশমাযোৰ খুলি চকুৰ গুৰি হুটা মচিলে······· । বৰ গৰম অনুভৱ কৰিলে দত্তই······· । বহাৰ পৰা উঠি গৈ তেওঁ ফেনৰ চুইচটো টিপি দিলে। ফেনখন প্ৰথমতে লাহে লাহে, পিছত সোঁ-সোঁৱাই ঘূৰিবলৈ ধৰিলে······· । কোঠাটোত শিতলতা বিয়পি পৰিল। দেৱাল ঘড়ীটোৱে ৰাতিপুৱা দহ বজাৰ সংকেত দিলে।

—চিগাৰেট এটা জ্বলাই তেওঁ খোলা খিৰিকী

খনবে বাহিৰলৈ চালে ন'কৈ গঢ়ি উঠা টাউন, দোকান-পোহাৰবোৰ ইতিমধ্যে খুলিছে............। "জয়মতী হাৰ্ডৱেৰ" খনৰ কাষৰ ছাঁ থিনিতে এখন ৰিক্সা ৰখাই থোৱা আছে........। ৰিক্সা চালক বৃদ্ধ.......যাত্ৰীৰ আসনত বহি চালকৰ চিটত ভৰি দুখন তুলি বৃদ্ধই টোপনিয়াইছে........। ৰিক্সাৰ তলত কুকুৰ এটাই মূৰ পেলাই শুইছে.........।

ৰাস্তাৰে ধূলি উৰুৱাই ৰঙা য়্যামাহা দুখন বিহ্যুত বেগেৰে নেদেখা হৈ গ'ল।

তৎক্ষণিক দত্ত আঁতৰ হয় খিৰিকীৰ কাষৰ পৰা। আকৌ এটা চিগাৰেট খাবৰ মন গ'ল তেওঁৰ........। চিগাৰেট জ্বলাব উঠি তেওঁ বেৰত আৰি থোৱা ডাঙৰ পুত্ৰ "অতনু"ৰ ছবিখন দেখা পালে। শান্ত-ক্লিষ্ট তাৰ মুখঅৱয়........... । আজি এবছৰ আগতে তাক ঘৰৰ নিচেই ওচৰতে কোনোবাই বন্দুকেৰে গুলীয়াই হত্যা কৰিছিল........। সিবোলে কোনো উগ্ৰপন্থী দলৰ নেতা আছিল........ ।

"ক'তা মইতো এইবোৰ কথা ঘুনাক্ষৰেও নাজানিছিলোঁ"

"ক'তা মইতো "অতনু"ৰ গাত কোনোদিন উগ্ৰপন্থীৰ লক্ষন দেখা নাছিলো"

........নিজকে নিজে কোৱাদি দত্তই কয়। 'অতনু'ৰ কথা ভাবিলেই দত্তৰ শ্বাস কষ্টকৰ হয়। বুকুখন তেওঁ অলপ বিষোৱা যেন পালে। হাৰ্টৰ অসুখটোৱে উক দিছে নেকি আকৌ? তেওঁ চকীখনত নিথৰ হৈ বহি পৰিল।

........অসহ্য গৰমত তেওঁৰ দেহ ঘৰ্মাক্ত হৈ পৰিল........ওপৰলৈ মুখকৈ ফেনখনৰ ফালে চালে তেওঁ.... । ফেনখন নিস্পন্দন হৈ ৰৈ আছে, তাৰ মানে কাৰেণ্ট গ'ল.... বৰ অস্বস্তিৰে উচ-পিচাই তেওঁ কামিজৰ বুটাম দুটা খুলি দিলে........ ঘৰ্মাক্ত কপালখন ৰুমালখনেৰে মচি ললে।

"অতনু"ৰ মৃত্যুৰ পিছত অপ্ৰত্যাশিত ভাবে পত্নী নিৰলাক বিদায় দি তেওঁ চাৰি কোঠালীয়া ঘৰখনত বৰ অকলশৰীয়া অনুভৱ কৰে দত্তই। ঘৰুৱা কাম কৰা ধনীৰাম নহলে হয়তু তেওঁৰ নিজৰেই বৰ অসুবিধা হ'লহেঁতেন। ইটো সিটো কথা কৈ সি যেন সুমাই যাব খোজা বস্তি গছি জ্বলাই ৰাখিবলৈ আপ্ৰান চেষ্টা কৰে।

: দেউতা পানী খাব নেকি?

: দেউতা আপোনাৰ গা-ধোৱা সময় হ'ল।

: দেউতা ভাত! ইত্যাদি।

........অকলশৰীয়া দত্তৰ মন উৰা মাৰে সেই আপোন গাঁৱৰ ঘৰখনলৈ........। এহাতেৰে স্কুলকি যাব খোজা হাফপেণ্টটো টানি আনখন হাতেৰে নাকৰ শেঙুন মচি নৰেন, কবিন, ধীৰেনৰ সতে দৌৰি ফুৰা শৈশৱৰ দিন বোৰ...। সময়ৰ কোবাল সোতত ক'ত যে হেৰাই গ'ল নৰেন-কবিন-ধীৰেনহঁত। কেনেকৈ যে খহি পৰে সময়বোৰ। অথচ তাহাঁনিৰ সেই যৌৱনোজ্জ্বল দিনবোৰত জানো এবাৰলৈকো ভাবিছিলো যে... "মই টাউনত থাকিম, (পত্নী:পুত্ৰ) সৰ্বশ্ৰান্ত হেৰাই ডেউকা ভগা পখীৰ দৰে এনে দৰে চৰফৰাই থাকিম।

হয়! সময় সলনি হয়, বছৰ বাগৰি যায় অতীতবোৰ বিবস বিবৰ্ণ হৈ পৰে।

হঠাৎ ফেনখনে গতি লয়। এটা দীৰ্ঘশ্বাস বুকুৰে ওলাই আহিল তেওঁৰ। সোঁ-সোঁৱাই বতাহে তেওঁক আবৰি ধৰিলে........। মনতো পাতল লাগিল........। খোলা খিৰিকীখনেৰে তেওঁ আকাশলৈ চাই পঠিয়ালে........। পাখি নকঁপোৱাকৈ শগুনবোৰ অকলে অকলে মেঘহীন আকাশৰ বুকুত উৰি ফুৰে। ৰাস্তাৰে খিল খিলাই এজাক ল'ৰা-ছোৱালী হাঁহি আহি থকা তেওঁ দেখা পালে....। হয়তু ক্লাচ কিবা কাৰণত ছুটি হ'ল........। দত্তই ভাবে কিমান যে বন্ধ আমাৰ এই দেশখনত। লৰা-ছোৱালীবোৰে পঢ়িব সময় পাই ক'ত।

এহাল লৰা-ছোৱালী আপোন মনে কথা পাতি ৰাস্তাৰে আহি থাকে। হয়তু প্ৰেমীক প্ৰেমীকা। নিলয় দত্তই নিৰলাৰ সতে চিনাকি হোৱা দিনটোলৈ মনত পেলাব ধৰিলে.... হয়! কলেজ সপ্তাহত শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান পোৱাৰ পিছত অভাবনীয় ভাবে মিচ্ নিৰলাৰ সতে চিনাকী; হয় দত্তৰ লগত কথা কওঁতে এটা অনতিক্ৰম সংকোচে তাইক হেচা মাৰি ধৰিছিল। মিচ্ নিৰলা দেৱীয়ে নিলয় দত্তৰ বুকুৰ উম বিচাৰিছিল। অকল নিৰলা দেৱীয়ে নে? নহয় দত্তই নিজেও তাইৰ বুকুৰ একাল বিচাৰিছিল। দত্তই ভাবে! সেয়াই হয়তু প্ৰেম।

চকুৰ আঁৰ নোহোৱালৈকে নিলয় দত্তই প্ৰেমিক-প্ৰেমিকাহালক চাই থাকিল। প্ৰেম সচাই স্বৰ্গীয়।

দত্তৰ ডিঙিমুখ শুকাই গ'ল। টেবিলট থৈ দিয়া পানী গিলাছ একে শোঁহাই তেওঁ খাই পেলালে—।

খট্! খট্! বক্ৰতাৰে তেওঁ দৰ্জাখনলৈ চাই পঠিয়ালে........নিঃসংকোচে ধনীৰাম সোমাই আহিল....।

: অ' ধনী তই আহিলি! নিৰুদ্বেগ চিত্তে দত্তই কলে।

: দেউতা, আপোনাৰ ভাত! প্ৰশ্ন বোধক চাৱনিৰে ধনীয়ে চাই ৰয় দত্তৰ মুখলৈ।

: গৈছো!

—একান্ত বাধ্যৰ দৰে ধনী আঁতৰি যায়। দত্তই মুখ হাত ধুই বান্ধনী ঘৰলৈ খোজ ললে। ভৰিৰ প্ৰতিটো খোজত হোৱা কট্ কট্ শব্দটো দত্তৰ কানত পৰিল। নিজৰে তেওঁৰ হাঁহি উঠি গ'ল। বয়স কিমান হ'ল বাৰু! পঞ্চাশ যাঠি অ' তেনেকুৱা এটাই।

তাৰ মানে তেওঁ বৃদ্ধ! শৈশৱৰ দিনবোৰত তেওঁতো এদিনলৈ ভবা নাছিল যে তেওঁৰ এদিন চুলি পকিব! বৃদ্ধ হব! গালমুখবোৰ শোতোৰা পৰিব। সঁচাই সময়ৰ অনন্ত গতি।

........বান্ধনী ঘৰ পাইমানে ধনীৰামে ভাত বাঢ়ি দত্তৰ বাবে অপেক্ষা কৰি আছে। দত্তৰ আগমনে তাক ব্যস্ত কৰি তুলিলে সি যি কোনো মুহুৰ্ত্তে দত্তৰ শুশ্ৰষাৰ বাবে সদা—প্ৰস্তুত।

—ভাত খাই দত্তই শোৱনি কোঠাত প্ৰৱেশ কৰে। জীৰ্ণ-শীৰ্ণ শৰীৰটো তেওঁ বিছনাত এৰি দিলে। কোঠাটোৰ বেৰবোৰৰ উজ্বলতা নোহোৱা হৈ গৈছে। ভেণ্টিলেটৰ আইনা কেইখন মলিয়ন হৈ পৰিছে........। দেৱাল ঘড়ীটোৰ টিক্ টিক্ শব্দ বিৰতিহীন ভাবে বাজি আছে....। বান্ধনী শালৰ টুং টাং শব্দ দত্তই শুনিলে। অদূৰত কোনোবা চাৰ্কাচ পাৰ্টিৰ দৰ্শনৰ এলাউন্স ভাঁহি আহিছে........।

চিগাৰেট এটা জ্বলাই ললে তেওঁ। চহৰ

খনলৈ সন্ধ্যা নামি আহিছে……। সূৰ্য্যাস্তৰ দৃশ্যটো চাবলৈ তেওঁ বাহিৰৰ বাৰাণ্ডাখনত বহি ললে।

সূৰ্যটো পাহাৰ দুটাৰ ওখ বুকুৰ মাজত লুকাবলৈ ক্ৰমাৎ গতি কৰিছে…। আকাশত বিয়পিছে ৰক্তাভাষ। ধনীৰামে আনি দিয়া চাহৰ কাপটোত শোহা দি দত্তই বিমুগ্ধ দৃষ্টিৰে প্ৰত্যক্ষ কৰিছে সূৰ্য্যাস্তৰ দৃশ্য।

নামী, অনামী বহু চৰাই অচিন বাহলৈ ঢাপলি মেলিছে……পৃথিৱীৰ সমস্ত সেউজীয়াত সূৰ্যৰ কিৰণ চিতিকি পৰিছে……। লাহে লাহে পাহাৰ দুটাৰ মাজত দ্ৰবীভূত হবলৈ আগবাঢ়িল সূৰ্যটো। তন্ময় হৈ চাই থাকিল নিলয় দত্তই।

হঠাৎ দত্তৰ ঘৰৰ লাইটবোৰ উজ্বলি উঠিল। দত্তই শোৱনি কোঠাত প্ৰৱেশ কৰি খিৰিকীখনেৰে শেষ বাৰলৈ বাহিৰৰ ৰহস্যময় পৃথিৱীখনলৈ চাই পঠিয়ালে। দোকান পোহাৰবোৰ আলোক সজ্জাৰে জলি উঠিছে। মানুহৰ মুখঅৱয়ৱ মনিব নোৱাৰি। ৰহস্যময় হৈ পৰে পৃথিৱী সজাৰে খিৰিকীখন বন্ধ কৰি দত্তই বিছনাত দীঘল দি পৰিল।

দত্তই ভাৱে! সচাই দুৰ্বোধ্য হৈ পৰিছে আজিৰ সময়। সহানুভূতিৰ অপমৃত্যু কেতিয়াবাই হৈ গল। এনে বিশৃংখল সমাজ ব্যৱস্থাই দেশৰ মুক্তি সাধিবনে? মনে মনে দত্তৰ! আজি সকলোবোৰ কামনাৰ পিছে পিছে দৌৰিছে। আকৌ এচামে সকলো বিসৰ্জন দি দেশ মুক্তি স্বপ্নত উৰাউল। হত্যা ধৰ্ষণে দেশ ভৰি পৰিছে।

—নিলয় দত্তৰ মনটো গধুৰ গধুৰ লাগে। তেওঁ বৃদ্ধ হৈছে চুলি পকিছে। গাল মুখ শোতৰা শোতৰ পৰিছে।

দেৱাল ঘড়ীটোত নিশা দহ বজাৰ সংকেত তেওঁ শুনা পালে কোঠাৰ লাইটো নুমুৱাই দিলে দত্তই। চিদ্ৰহীন আন্ধাৰে কোঠাটোৰ পোহৰ খিনিক দৈত্য এটাৰ দৰে গিলি পেলালে……।

দত্তৰ ৰাতিপুৱাতে পঢ়া "থেমচ"ৰ উপন্যাস খনৰ কথা মনত পৰিল।

"জুন মাহৰ পৰিকাৰ ৰাতিপুৱা…… পাঁচশ জনীয়া ছাত্ৰ-ছাত্ৰী দল এটাই মৃত্যু বৰণ কৰে" "প্ৰচলিত সমাজ ব্যৱস্থাৰ বিপক্ষে"

"পচণ্ড ক্ষোভত কপি উঠে বিদ্ৰোহী জনতা, স্তম্ভিত প্ৰশাসন, বিকল হৈ পৰে শাসন যন্ত্ৰ, সিহঁতে পতাকা উৰুৱালে স্বাধীনতাৰ"

দত্তৰ যেন ভাবনা শক্তি শেষ হৈ যায় খুজিছে—এক বুজাব নোৱাৰা অস্বস্তিত তেওঁ চটফটাব ধৰিলে।

নিদ্ৰাতুৰ গভীৰ ৰাতি…। নিলয় দত্ত লাহে লাহে নিদ্ৰা দেৱীৰ কোলাত ঢলি পৰে…

ওচৰতে দুটা কুকুৰাৰ শব্দত দত্তই খকমকৈ সাৰ পায়। গাৰ জড়তাখিনি আতৰাই তেওঁ… খিৰিকীখন খুলি দিলে। এচাতি বতাহৰ শিতলতাই তেওঁৰ দেহ চুই গ'ল। গাটো পাতল পাতল লাগিল দত্তৰ।

মুখ-হাত ধুই দত্তই ধনীয়ে দিয়া চাহ কাপ খাই ললে ∘∘। সতেজ সতেজ ভাব হ'ল দত্তৰ ∘∘।

চচ্মাযোৰ কমাল খনেৰে মচি কৱিতা পুথি এখন উলিয়াই ললে দত্তই।

"ক্ৰুৰ স্পৰ্শঃ ফেনিল উত্তাল তৰঙ্গ বাজি, বুকুৰ সেউজী সপোনটোকো কাঢ়ি লৈ যায়, বাধা নাই অবাধে আহিল আৰু গ'ল, তেতিয়া মই কান্দো, সি আৰু পথাৰেও ইনাই বিনাই কান্দে

বিচিত্ৰ অভিব্যক্তি। সম্মিলিত কৃষকৰ সমস্বৰ দৃঢ়কণ্ঠ

বিননিত বিদ্ৰোহৰ জাগৰণ আহে। অভ্যুদয় প্ৰভাতী চেতনা

—আহ! কি? জীৱন্ত কবিতাবোৰ। পুৱাৰ ৰ'দৰ দৰে কোমল কবিতা। দত্তই দেৱাল ঘড়ীটোলৈ চালে ন' বাজিবৰ হ'ল অথচ পেপাৰ অহা নাই। বাহিৰলৈ দত্তই উমান ললে।

পেপাৰ! হুকাৰ জনৰ ধাতব কণ্ঠ তেওঁ শুনা পালে। একে কোবে তেওঁ খবৰ কাগজ হাতত লৈ চকীত বহি পৰিল। হঠাৎ প্ৰথম পৃষ্ঠাত প্ৰকাশিত বাতৰি এটা তেওঁৰ চকু থৰ হ'ল।

"৫০০ জন ছাত্ৰ-ছাত্ৰীৰ পেট্ৰল ঢালি মৃত্যু বৰণ"। খৰ-খেদাকৈ দত্তই বাতৰিটো পঢ়ি যায়।

"প্ৰচলিত শাসন ব্যৱস্থা, উলংগ ৰাজনীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি মহা-নগৰৰ উচ্চতম ন্যায়লয়ৰ সন্মুখত ৫০০ ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যা কৰে।"

—থৰ হৈ যায় নিলয় দত্ত! বাৰে বাৰে তেওঁৰ মনত পৰিল যোৱা কালিতে পঢ়ি শেষ কৰা থেমচৰ উপন্যাস খনৰ কথা …. ….।

"পাঁচশ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটাই দুৰ্নীতিগ্ৰস্থ সমাজ ব্যৱস্থাৰ বিপক্ষে প্ৰতিবাদ কৰি ৰাজপথত কেৰাচিন ঢালি মৃত্যুবৰণ কৰে—।

হঠাৎ যেন সাৰপাই উঠে জনতা, ৰাজপথত নামি পৰে বিদ্ৰোহী জনতা…. ….।"

—দ্ৰুত তেওঁ খিৰিকীৰ কাষ চাপে, হঠাৎ তেওঁ দেখা পালে শাৰী শাৰী পৰ্ব্বতমালা-- উজ্বল নীলা আকাশ…. …. মুক্ত পৃথিবী …. এটা উদ্বিগ্ন আনন্দত নিলয় দত্তৰ মন ভৰি উঠিল ….।



SIPAJHAR COLLEGE LIBRARY
Estd.-1971
Date………
SIPAJHAR : DARRANG

# যি নদী নিৰৱধি

★ হেম চন্দন শর্মা
স্নাতক প্ৰথম বাৰ্ষিক

মিনুৰ চিঠি পাই পেটৰ ভোক, দেহৰ ভাগৰ কেনিবা পলাল। অফিচৰ পৰা আহি গাটো ধুই ভাতকেইটা খাওঁ বুলি ভাবোতেই পিয়নজনে আহি চিঠিখন দিলে। মনটো দুখে বেজাৰে ভৰি গ'ল। বুকুখনৰ কোনোবা এচুকত বিষ এটা অনুভৱ কৰিলোঁ। মিনুৱে এনেকৈ যে কোনোবা ল'ৰাৰ লগত গোপনে গুচি যাব মই ভৱা নাছিলো। আৰু সেইবাবেই মই তাইৰ বিয়াখন ভালকৈ অনন্তৰ লগতে পাতি দিম বুলি তাইক কথা দিছিলো। কিন্তু তাই গুচি গ'ল! সেই খবৰটোকে তাই মোক চিঠিৰে জনালে। তাই গুচি গৈ তাৰ বাবে মোৰ পৰা ক্ষমা ভিক্ষা কৰিছে।

মই ঘৰলৈ যোৱাটোকে ঠিক কৰিলোঁ। নতুনকৈ কিনা এম্বেচাদৰখনৰ ষ্টিয়াৰিঙত হাত থলো। গাড়ী ঘৰমুৱা হ'ল।

তেতিয়া ৰাষ্টাৰ দুয়োকাষে ষ্ট্ৰীট লাইটবোৰ জ্বলি উঠিছিল। সন্ধিয়াৰ ৰাষ্টাৰ মানুহবোৰ ষ্ট্ৰীট লাইটৰ পোষ্টবোৰ আৰু দুকাষৰ ফুলনি আৰু দোকানবোৰ এৰি এৰি তীব্ৰ গতিত গাড়ী চলালোঁ। আহোতে মোৰ ভাড়া ঘৰৰ মালি[ক] ককো মই ঘৰলৈ অহা কথাটো কব পাহ[...] থাকিলো। মোৰ মানস পটত তেতিয়া কেৱ[...] মিনুৰ অসহায় বেদনা-বিহ্বল মুখখনে লুকা-ভা[...] খেলিছিল। বৰ্ষাৰ আকাশৰ মেঘৰ দৰেই তাই[...] জীৱনৰ টুকুৰা ছবিবোৰ সোঁ-সোঁৱাই আহিছি[...] আৰু গৈছিল।

মিনু—এৰেতো জীৱন তাই সাক্ষী হৈ ৰ[...] দেউতাৰ অপকৰ্মৰ। একুৰি বসন্তই তাইৰ দে[...] স্পৰ্শ কৰিছিল যদিও তাইৰ মনৰ বেদনা ধুই নি[...] পৰা নাছিল। মোৰ দৰে ককায়েক এজন নথকাহ'[...] তাই সম্ভৱ জীয়াই নাথাকিলহেঁতেন। কি[...] মোৰ মৰমে তাইক জীয়াই থাকিবলৈ উৎসা[...] দিছিল। প্ৰতিটো খোজতে মোৰ প্ৰেৰ[...] পাইছিল। এতিয়া হয়তো তাই এইখন ঘৰ[...] থকাটো নিবিচাৰিলে।

এৰা! মিনু দেউতাৰ অপকৰ্মৰ ফল। [...] বাবেই মোৰ মাৰ পৰা কায়িক তথা মানসি[...] ভাৱে জীয়াতু ভুগিব লগা হৈছিল। যিহে[...] তাই মোৰ মাৰ তেজ-মঙহেৰে গঢ়া নহয়। যেতিয়া মাই চকুৰ আগত মিনুক দেখিছিল, দেউতাৰ চৰিত্ৰৰ প্ৰতি তেওঁৰ প্ৰৱল ঘৃণা উপজিছিল আৰু তাৰ হোৰ তোলে মিনুৰ ওপৰত। যেন তাইহে সকলো সৰ্বনাশৰ মূল!

মোৰ তেতিয়া দহ কি বাৰ বছৰ বয়স। ভণ্টী নীলা তেনেই তিনিমহীয়া কেঁচুৱা। দেউতা তেতিয়াও চকল ডেকা। তেজপুৰত অকলে থাকে। তাৰ বন বিভাগৰ অফিচ এটাৰ উচ্চ পদস্থ বিষয়া। এদিন দেউতা গধূলি ঘৰলৈ আহিল। দেউতা ঘৰলৈ আহিলে আমাৰ ঘৰত সাধাৰণতে স্বাভাৱিক উচ্ছাস এটা হয়। দেউতাই গাড়ীখন গেটখুলি চোতালৰ আগলৈ লৈ আহিল। মই গাড়ীৰ ওচৰলৈ দৌৰি আহিছিলো আৰু মাও আহি গাড়ীৰ সন্মুখত ৰ'লহি। দেউতা হাতত কিবা এটা লৈ গাড়ীৰ পৰা নামি আহিল। হাতত এটা পুতলা। মই ভাবিছিলো যে মই যথেষ্ট ডাঙৰ হৈছো। এতিয়াতো পুতলাৰ প্ৰয়োজন নাই। তথাপি দেউতাৰ ফালে মই হাত দুখন মেলি দিলো। কিন্তু দেউতাই মোৰ ওপৰত গুৰুত্ব নিদি ভিতৰলৈ সোমাই গ'ল। হঠাতে দেউতাৰ কোলাত থকা পুতলাটোৱে 'কোৱা' 'কোৱা' কৈ কান্দি দিয়াত মই আচৰিত হলো। তেতিয়াহে বুজিলো যে আচলতে সেইটো এটা কেঁচুৱাহে। কিন্তু তেওঁ ক'ত পালে?

মাক মূৰ ঘুৰাই বাগৰি পৰা দেখিছিলো। মই মাৰ ওচৰলৈ গৈ কান্দিছিলো। অলপ পিচতে ডাক্তৰ আহি মাক চাই গ'ল। তেওঁ সুস্থ হ'ল।

প্ৰায় এমাহ ধৰি আমাৰ ঘৰৰ যিটো পৰিবেশৰ সৃষ্টি হ'ল, মোৰ বাবে সেইটো অসহ্যকৰ আছিল, মা আৰু দেউতাৰ মাজত তৰ্কা-তৰ্কি লাগি থাকে। এই তৰ্কাতৰ্কি কেতিয়াবা টনা-আজোৰাত পৰিছিল। দেউতা দুমাহমান অফিচলৈ যোৱা নাছিল! কিন্তু দেউতাই কেঁচুৱাটো ক'ৰপৰা আনিছিল মই জনা নাছিলোঁ। বহুদিন পিচত গম পাইছিলো যে সেইটো দেউতাৰ অবৈধ কন্যা সন্তান, যাৰ মাক তাইক জন্ম দিয়েই এই পৃথিৱীৰ পৰা গুচি গ'ল। দেউতাই সেইজনীৰ লগত গোপনে প্ৰেম কৰিছিল সম্ভৱ।

মাৰ হাতত কেঁচুৱা এতিয়া দুটা জমা হ'ল। এজনী মোৰ ভনী, আনজনী মই পুতলা বুলি ভৱাটো। দেউতাই এজনী চাকৰণী আনিলে পুতলাটো পালন কৰিবলৈ। এদিন দেউতাই মাক কোৱা শুনিলো—

"মানুহ মাত্ৰেই ভুল হয়। মই মোৰ ভুল স্বীকাৰ কৰিছো। মই জানো, তোমাৰ মোৰ ওপৰত ঘৃণা উপজিছে। কিন্তু এতিয়া সেইবোৰ পাহৰিবলৈ যত্ন কৰা। সেইটো মোৰ সন্তান যেতিয়া তোমাৰ সন্তান বুলিয়ে ধৰা। সহজ ভাৱে গ্ৰহণ কৰিবলৈ যত্ন কৰা। নহলে সেইটোতো মাৰি পেলাব নোৱাৰো। তোমাৰ অৱশ্যে দুটিকৈ সন্তান পালন কৰাত কষ্ট হব বাবে এজনী চাকৰণী আনিলো।"

দেউতা যোৰহাটলৈ বদলি হ'লত, আমিও তেওঁৰ লগতে গলোঁ তালৈ। তাত এটা নতুন জীৱনৰ পাতনি মেলিলো। কিন্তু মা, আগৰজনীয়ে হৈ নাথাকিল। বহুত সলনি হ'ল। দেউতা আৰু মাৰ মাজত আগৰ দৰে নালাগে

যদিও মাজে-সময়ে এতিয়াও লাগে। মাৰ বিপৰীতে দেউতাও আগতকৈ বেছি গম্ভীৰ হৈ গৈছিল। ঘৰখনৰ পৰা হাঁহি-ধেমালীবোৰ নাইকীয়া হ'ল।

আমি ডাঙৰ হ'লো। মিনু আৰু মোৰ ভণ্টী নীলা কাণসমনীয়া হ'ল। দুয়ো হাইস্কুল পালে। সকতে মাই মিনুক চাকৰনীজনীৰ লগত বাতি শুৱাই থৈছিল। আজি কালি তাই এটা কমত অকলে থাকে। মাই মিনুক চকু পাৰি দেখিব নোৱাৰে বুলি মই জানো। কাৰণ মিনুৰ দৈহিক সৌন্দৰ্য্য নীলাতকৈ অলপ ওখত। কিন্তু মই লাহে লাহে মিনুৰ বিপৰীতে লোৱা মাৰ প্ৰতিটো শাস্তিৰ প্ৰতিবাদ কৰা হলোঁ। কাৰণ মিনুৰ বেদনা মই বুজো। তাই মাতৃহীনা। তাইৰ জীৱন ইতিহাস সকলোৱে জানে। তাই নিজকে পাপী, অপৰাধী বুলি ভাবে। কিন্তু এতিয়া তাইৰ মনৰ পৰা এনে ভাৱ গুচাব পৰা নাই। মিনুৰ পঢ়া-শুনা, খোৱা-লোৱা আদি প্ৰতিটো বিষয়তে মই গুৰুত্ব দিয়াটো মাৰ পক্ষে অসহ্য। কিন্তু মাই মোকো ভয় কৰা হ'ল। কাৰণ মাই মিনুৰ ওপৰত কিবা শাস্তি লোৱা যেন পালেই মই চিলনীৰ দৰে চোঁ মাৰি মাজতে পৰিছিলো আৰু মাক কৰ্কৰ্থনা কৰিছিলো। নীলাক মাই মিনুৰ পৰা আঁতৰাই ৰাখিছিল। কিন্তু লুকাই লুকাই দুয়ো লগ হৈছিল।

দেউতাৰ প্ৰতি অজানিত ভাৱে মোৰ এটি ঘৃণাৰ জন্ম হ'ল। আজি-কালি দেউতাই মাক ভয় কৰে বুলি গম পালো। কাৰণ মাই টানকৈ কিবা কলে দেউতা তকমূৰকৈ আঁতৰি যায়!

মিনু ক্ৰমে ক্ৰমে মোৰ অতি আপোন হ'ল। মোৰ অনুভৱ হয়— তাইহে যেন মোৰ আচ[ল] ভনীজনী। কোনো কথাতে তাইৰ চকুপানী মোৰ সহ্য নহয়। মোৰ প্ৰতিটো কাম তাই কৰি দিয়ে। গৰমৰ দিনত বিচি থকা ঘাম[ি] ভাঙি দিয়া, মূৰ মালিচ কৰি আৰাম দিয়া, কানি-কাপোৰ ধোৱা আদি নিৰ্বোধৰ দৰে কৰিছিল। মাই কিন্তু এইবোৰ দেখি ভিতৰি ভিতৰি পৰ[া] আঙঠাৰ দৰে জ্বলিছিল বুলি মই জানো।

এদিন দেউতা অফিচৰ পৰা আহি শাকনি[...] শাক নিৰাই আছিল। ময়ো কলেজৰ প[ৰা] আহি পাইছিলো। ভাৱিলো, ময়ো অল[প] দেউতাকে সহায় কৰি দিও। নীলা আৰু মি[নু] স্কুলৰ পৰা আহি পোৱা নাছিল। সিহঁ[ত] দুয়োজনীয়ে মেট্ৰিক দিব।

দেউতাক মই হঠাতে সুধিলো—দেউতা, ইহঁ[ত] দুয়োজনীয়ে ডাঙৰ হ'ল। লাহে লাহে কলেজ[লৈ] যাব। মিনুৰ পঢ়া-শুনা বা তাইৰ ভৱিষ্য[ত] বিষয়ে কি ভাবিছে দেউতা? নীলাৰ বা[বে] মা আছেই, আপুনি আছেই। মিনুৰ ব্যৱস্থা [কি] হব? মাইতো তাইক এতিয়াও নিজৰ সন্ত[ান] বুলি লব পৰা নাই। সতিনীৰ জী বুলি কটু দৃষ্টিৰে চাই আছে। মইতো সদায় মি[নুৰ] ওচৰতে থাকিব নোৱাৰো। কি ভাবিছে তা[ইৰ] বিষয়ে? দেউতা বহু সময় নীৰৱে থাকিল হাতৰ খন্টিখন আগৰ দৰেই চলি থাকিল। ত[ার] পিছত তেওঁ কলে—মই তাইৰ বিষয়ে চিন্তা ক[ৰি] আছো। তাইক জীৱন যুজঁত সাহসেৰে জ[য়ী] হ'ব পৰাকৈ নিশ্চয় গঢ়ি তুলিব লাগিব।

মই কলো—আপুনি তাইক এসময়ত বিয়া দি, উলিয়াই দিব পাৰিব লাগিব। নহলে তাই স্বাৱলম্বী হব পৰাকৈয়ো গঢ়ি তুলিব লাগিব। কিন্তু মই এইটোও জানো যে, মাই তাইক চিৰ শত্ৰু হিচাপে আজীৱন গণ্য কৰি যাব। সেয়ে মই তাইক মা আৰু আপোনাৰ হাতত গতাই দিব নোৱাৰো। তাই এজনী বেলেগ মাতৃৰ সন্তান হলেও মই তাইক নীলাতকৈ বেছি মৰম কৰো যিহেতু তাই বিশ্বব্ৰহ্মাণ্ডত এটি অকল-শৰীয়া প্ৰাণী। দেউতা, মই পৰহি চাকৰিত জইন কৰিমগৈ। তাত থাকিমো। মই নোহোৱা দিনকেইটাত তাই যাতে মাৰ দ্বাৰা একো অপদস্ত নহয়, সেইটো লক্ষ্য কৰিব। আপুনি তাইক নিজৰ সন্তান বুলি সদায় মনত ৰাখিব।

মিনুৰ চকুৰে বাগৰি অহা শাওনৰ উতলা বানৰ দৰে চকুলোকো অৱজ্ঞা কৰাৰ দৰে হ'ল। মই চাকৰি পাই গুৱাহাটীলৈ গুচি আহিলো। নীলা আৰু মিনুৱে মোক গাঁৱৰ মাজেৰে যোৱা কেঁচা ৰাস্তাটোৰ কাষলৈ আহিছিল। এখন সাতাম পুৰণি আধাভঙা বজাৰ বাছে মোক কঢ়িয়াই আনিলে। চাকৰিত জইন কৰিলো।

তাৰ চাৰি বছৰ পিছত মই মিনুৰ মুখৰ-পৰাই শুনিছিলো অনন্তই তাইক বিয়া কৰাৱ খোজে (সি মোকো কথাটো কৈছিল। মই সিহঁত হালক দুবছৰ পিছতে বিয়াখন পাতি দিম বুলি কৈছিলো। কিন্তু দুবছৰ নোহওঁতেই তাই এতিয়া অনন্তৰ লগত কিয় গ'ল? ভাৱি নাপাওঁ। তাইৰ বাবে হয়তো ঘৰখন বেছি অসহ্যকৰ হ'ল। মই নোহোৱা সুযোগত মাৰ খং আৰু ঈৰ্ষাৰ ভমক তাইৰ ওপৰত পৰিছেগৈ নিশ্চয়। মোৰ অন্তৰখনে কান্দি উঠিছিল কিবা এটা হেকৰাৰ বেদনাত। মনটো জোৰকৈ হলেও সহজ কৰি ললো।

ঘৰ পালো। পত্ৰলিত হৰ্ণ দিলো। এটা নীলা ৰঙৰ ফ্ৰক পিন্ধি নীলা ওলাই আহি মোৰ ক্ৰীম ৰঙৰ গাড়ীখন দেখি চিনি পায়েই মাত দিলে—দাদা, আহিলি? সশব্দে গাড়ীৰ দৰ্জাখন জপাই নামি আহিলো। নীলাই কিবা কব খুজিও মোৰ ফালে চাৱেই থৰ লাগি ৰ'ল। মই যে এটা 'টেনশ্বন'ত আছো তাই বুজিলে। মই "অ, আহিলোঁ।" বুলি কৈ ভিতৰ সোমাই গ'লো।

মাও ওলাই আহিল। কোনো বেলেগ কথাৰ অৱতাৰণা নকৰাকৈয়ে হঠাৎ সুধি পেলালো মা, ক'ত গ'ল মিনু?

'তই আৰু সুধিবলৈ বেলেগ কথা নাপালিনে? যলৈ যায় যাওঁক তাই জহনিত যাইতী। মান-সন্মান খেদালে।' মাই মুখ ওফোন্দাই ভিতৰ সোমাল।

"মা, তাই গুচি যোৱাৰ পিছতো আপোনা-লোকৰ মুখ বন্ধ হোৱা নাই? কি প্ৰয়োজন আছিল তাইৰ জীৱনটো লৈ ধেমালি কৰিবলৈ। কি দোষ আছিল তাইৰ?" মোৰ কথাবোৰ প্ৰয়োজনত কৈয়ো বেছি ডাঙৰ_হ'ল। দেউতা মোৰ খবৰ সুধিবলৈ আহিছিল মাখোন। মোৰ চিএঃৰ শুনি আতৰি গ'ল। নীলাই ইতিমধ্যে ভৰি ধোৱা পানী আনি বাৰান্দাত থৈছিল। মই চাট্ কৰে বাহিৰলৈ আহি গাড়ীত আকৌ সোমাই পৰিলো। মাই পিছ-ফালৰ পৰা মতা শুনিছিলো। ইতিমধ্যে মই গাড়ীত ষ্টাট দিলোৱেই। অনন্তৰ ঘৰৰ ফালে

গাড়ী আগবাঢ়িল। গভীৰ এন্ধাৰ ফালি আগু ৱালো। জোনাকীপৰুৱাবোৰে বাট এৰি দুয়ো-ফালে আতৰি গৈছিল। মোৰ খং আৰু বেজাৰৰ ভমক সিহতে বুজিয়েই চাগে বাট এৰি সৰু সৰু জোপোহাত লুকাই পৰিছিলগৈ।

আধা ঘণ্টা পিছত অনন্তহঁতৰ ঘৰ পালোগৈ। অনন্তৰ বাপেক-মাকৰ বাদে আন কোনো নাই। বি-এ পাছ ব্যৱসায়ী। বাটত গাড়ীৰ শব্দ শুনি ওলাই আহিয়েই মোক দেখি থত্‌মত্‌ খালে। দোষী, দোষী ভাৱেৰে কলে—আপুনি?

মিনু ওলাই আহি মোক দেখি ভৰি দুখনত সাৱতি ধৰি লুটিখাই পৰিল।

"মই অৱশেষত তোকো দুখ দিলো দাদা। মোক ক্ষমা কৰ। ইয়াত বাহিৰে আৰু উপায় নাই। কিমান আৰু সহ্য কৰিম?"

মই তাইক উঠালো—। কলো—কিন্তু তহঁতক মই নিজ হাতে বিয়া দি দিলোহেঁতেন মিনু।' মোৰ অশ্রু বন্যা ভেটিব নোৱাৰিলো। তাই মোৰ ডিঙিত সাৱতি ধৰিলে।

"মই আৰু ইয়াতকৈ বেছি আশা কৰাটো ভুল দাদা। মাই উকুৱা-পিন্ধোৱা, খোৱা-থকাৰ পৰা শিক্ষা-দীক্ষা গোটেই খিনিয়ে দিলে; ইয়াৰ পিছতো হেজাৰ হেজাৰ টকা ব্যয় কৰি মোৰ বিয়া পতাতো আশা কৰা পাপ। মোক ক্ষমা কৰ।"

অনন্তক ওচৰলৈ মাতিলো—"মিনুৰ দায়িত্ব তোমাক দিলো অনন্ত। চাবা, তাইৰ জীৱন যাতে তোমাৰ লগত সাৰ্থক হয়।"

"সেই দায়ীত্ব মই বহুদিন আগতেই লৈছিলো দাদা।" অনন্তই হাঁহি হাঁহি কলে।

তোমালোকৰ জীৱন মধুময় হওঁক। তাৰ কামনাৰে এইবছৰেই মই মিনুৰ যৌতুক হিচাপে এটা পকীঘৰ বনাই দিম। এই নতুন ঘৰখনত তোমালোকৰ জীৱন আজীৱন ৰঙীন হওঁক। এইঘৰত যেন মৰমৰ নদী আজীৱন বৈ থাকে যি নদী নিৰবধি। ★

**এটি আদৰ্শ লোৱা, ইয়াকে জীৱন সংগী কৰা, ইয়াকে চিন্তা কৰা, ইয়াকে সপোন দেখা, ইয়াতেই জীয়াই থাকা আৰু ইয়াতে সন্তুষ্টি লাভ কৰা। এয়েই কৃতকাৰ্য্যতাৰ একমাত্র উপায়।**

**—স্বামী বিবেকানন্দ**

# প্ৰতাৰণা

★ গুনমনি নাথ
স্নাতক ২য় বাৰ্ষিক

আবেলি মুৰ ফনিয়াই থাকোতেই আহিল পেহীৰ ল'ৰা বিকুদা। বিকুদাক চাহ দি উঠি একেবাৰে ওচৰত বহিয়ে খবৰ সুধিলো "ঐ বিকুদা, খবৰ কি ?" বিকুদাই মোকহে সুধিলে 'আইটু, তহঁত ছোৱালীবোৰ এনেকুৱাই নেকি ?" মই আচৰিত হৈ সুধিলো, "আমি এনেকুৱা মানে ?" বিকুদাই তেতিয়া কৈ গ'ল কথাবোৰ।

মোতকৈ বয়সত ডাঙৰ যদিও বিকুদা আৰু মোৰ সম্পৰ্কটো বন্ধুত্বৰ নিচিনা। বিকুদা ল'ৰাজন খুব শান্ত, পঢ়া-শুনাতো চোকা। সিহঁতৰ গাঁৱৰে তৰা নামৰ ছোৱালী এজনীক ভাল পাইছিল। তৰাইও বিকুদাক অন্তৰিকতাৰে ভাল পাইছিল। বিকুদা আৰু তৰাৰ ভাল পোৱা খুব গভীৰেই আছিল। দুয়োজনে প্ৰতিজ্ঞাবদ্ধও-হৈছিল এজনে আনজনৰ পৰা কেতিয়াও আঁতৰি নাযাবলৈ কিন্তু .... .... .... তৰাই যে বিকুদাক প্ৰতাৰণা কৰিলে।

তৰাই বিকুদাক মৰমতে জোন বুলিহে মাতিছিল। মই কেতিয়াবা বিকুদাক হঁাহি হঁাহি জোকাইছিলোঁ—"আকাশৰে জোনে বাই জোনৰ লগত তৰা যায়।" আৰু কৈছিলোঁ চাবা বিকুদা, তোৰ মৰমৰ তৰাজনী গুচি যাব কেতিয়াবা আকাশৰ জোনলৈ। তেতিয়া বিকুদাই ধমক দি কৈছিল—'ধেৎ আইটু তেনেকৈ নকবিছোন! মোৰ তৰা সদায় মোৰ ওচৰতে থাকিব।"

কিন্তু আজি বিকুদাই ক'লে—"আইটু, তই ঠিকেই কৈছিলি! মোৰ তৰা গুছি গ'ল আকাশৰ জোনৰ ওচৰলৈ। সঁচাই তহঁত ছোৱালীবোৰ বৰ প্ৰতাৰক। এজনক মন প্ৰান দি ভাল পোৱাৰ পিছতো আকৌ আন এজনক মৰম কৰিব পাৰা। তৰাও গুচি গ'ল চৰিত্ৰহীন ধনীৰ দুলাল জোনৰ ওচৰলৈ। অৰ্থাৎ আকাশৰ জোনৰ ওচৰলৈ। জোনৰ টকা পইচাই তাইক অন্ধ কৰি পেলালে। তৰাক মই খুব ভাল পাইছিলো, বিশ্বাসো কৰিছিলো। কিন্তু তাইয়ে মোক প্ৰতাৰণা কৰিলে।"

চকুপানিৰে চলচলীয়া হোৱা বিকুদাৰ মুখ-খনলৈ চাই খুব বেয়া লাগিল। মই ক'লো—তবাৰ কথা বাদ দিয়া বিকুদা, আগতে পঢ়ি শুনি মানুহ হৈ লোৱা। এজনী তৰা গুচি গলেও আৰু বেলেগ তৰা এজনী পাবা।"

বিকুদাই ক'লে--"আইটু তই ঠিকেই কৈছা। সেই তৰাজনী গুচি গলেও বেলেগ তৰা এজনী পাম। কিন্তু ........ মই তাইকে মোৰ সকলো মৰম স্নেহ দিছিলো। তাইয়ে মোক প্ৰতাৰণা কৰিলে কিয়? কিয় তাই মিচা প্ৰেমৰ অভিনয় কৰিছিল??"

বিকুদাৰ প্ৰশ্ন দুটাৰ উত্তৰ মই দিব নোৱাৰিলো। গীতৰ কলি এটাহে মাথো মনলৈ আহিল—

"প্ৰেম যদি অভিনয় হয়
জীৱন মানেনো কি??"

# ডেউকা ভগা পখী

★ ৰাজকমল ভট্টাচাৰ্য্য
স্নাতক ২য় বাৰ্ষিক

সেই দিনটো আছিল ১৯৯০ চনৰ ৮ আগষ্ট। চহৰখনৰ নিলগতে থকা মহাবিদ্যালয়খনত এক বিৰাট হুলস্থুলীয়া পৰিবেশ, অনুমান কৰা যায় যে কোনো কোনোৱে যেন কাজিয়া কৰিছে এনে হেন পৰিবেশ দেখা গৈছে।

সেইদিনাখন আছিল মহাবিদ্যালয়খনিত নতুন ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিকৰণ। সেয়েহে তাত বিভিন্ন ঠাইৰ পৰা নতুন নতুন ছাত্ৰ-ছাত্ৰীসকল গোট খাইছেহি। ছাত্ৰ-ছাত্ৰী বিলাকৰ অভিভাৱকসকলে চিন্তা কৰিছে যে তেওঁলোকৰ যদি ল'ৰা বা ছোৱালীজনীক স্থানীয় কলেজখনতে নামভৰ্ত্তি কৰাই দিব পাৰে তেনে-হ'লে ভাল হয়। সেয়েহে তেওঁলোক গোপনে গোপনে অধ্যক্ষক, ছাত্ৰ পৰিষদৰ সম্পাদকক, কোনো সংগঠনৰ সভাপতিক লগ ধৰাত ব্যস্ত। যোগ্যতাৰ ভিত্তিত যে নামভৰ্ত্তি নহ'ব এনে নহয়, সেইটো আছেই। সময়মতে নামভৰ্ত্তিৰ তালিকা বাহিৰ হ'ল। সেই তালিকাত শ্ৰীমৃদুস্মিতা শৰ্ম্মাৰ নামটোও আছে বলা শাখাতে। তাইৰ অদম্য হেপাহ বি, এ পাছ কৰি এ.চি.এচ. লোৱাৰ; সেয়েহে তাই কলা শাখাত নাম ভৰ্ত্তি কৰিলে।

যথা সময়ত নাম ভৰ্ত্তি হৈ গ'ল। ল'ৰা ছোৱালীবিলাক অত্যাধুনিক সাজ-পোছাকেৰে কলেজলৈ আহিবলৈ ধৰিলে। মৃদুস্মিতাও আহিবলৈ ধৰিলে কলেজলৈ, কিন্তু তাইৰ গাত নাই অত্যাধুনিক সাজ-পোছাক। ক্ৰমান্বয়ে তাইৰ কলেজত দিনবোৰ পাৰ হ'বলৈ ধৰিলে।

তাইৰ ৰূপ যৌৱনে যে সুমনক মতলীয়া কৰিছিল সেইটো কথা তাই জনা নাছিল। সুমন আছিল অতি ধনী ঘৰৰ একমাত্ৰ ল'ৰা। যি মৃদুস্মিতাক নিজৰ কৰি ল'বলৈ আপ্ৰান চেষ্টা চলাইছিল। কিন্তু মৃদুস্মিতা অতি সহজ সৰল প্ৰকৃতিৰ; আন কথা তাই সৰুৰে পৰা ভাল পাই আহিছিল কমলক। সুমনৰ উৎপাত দিনক দিনে বৃদ্ধি পাই আহিবলৈ ধৰিলে। সি তাই গৈ থাকিলে মটৰ চাইকেল লৈ যায় আগভেটি ধৰে আৰু নানা ধৰণৰ ঠাট্টা মস্কৰা কৰে কেৱল ভাল পোৱাৰ বাবে। সি মনে মনে লগৰ ল'ৰাবোৰক লৈ সিহঁতৰ ঘৰৰ ওচৰেদি নানা ধৰণৰ উদ্ভন্দালি কৰি ঘুৰি ফুৰে। কিন্তু মৃদুস্মিতাই তাক ভালপোৱাৰ পৰিৱৰ্ত্তে চেণ্ডেলেৰেহে কোবাব খোজে। সচাঁকৈয়ে এদিন সুমনে এদল ল'ৰাৰ সতে মৃদুস্মিতাক অসং ব্যৱহাৰ কৰিবলৈ যাওঁতে তাই তাক চেণ্ডেলেৰে কোবাই পেলালে। চেণ্ডেলৰ কোব খাই সুমনৰ মন অতি বেয়াৰ ফালে ঢাল খালে আৰু তাৰ অতি প্ৰিয় বন্ধু অনিৰ্বান হাজৰিকাৰ লগত আলোচনা কৰি ঠিক কৰিলে যে সিহঁতে এখন জাল চিঠি লিখিব মৃদুস্মিতাৰ নামত আৰু সেই চিঠিখন প্ৰিন্সিপালৰ হাতত দিব। কোৱামতে কাম হ'ল। প্ৰিন্সিপালজনো আছিল অতি দুষ্ট প্ৰকৃতিৰ। তেওঁক যদি ২০০'০০ মান টকা উলিয়াই দিয়া হয় তেনেহ'লে তেওঁ কাবু হয়। তেওঁ চিঠিখন হাতত লৈ উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিকত প্ৰৱেশ কৰিলে আৰু তেওঁ শ্ৰীমৃদুস্মিতা শৰ্ম্মাক (ৰোল নং- ১১৩) বিচাৰিলে। মৃদুস্মিতা নাম কোৱা মাত্ৰকে ঠিয় হ'ল। প্ৰিন্সিপালে তাইক অফিচ ৰুমলৈ মাতি আনিলে আৰু কোনো কথা অৱতাৰণা নকৰাকৈ তাইক মহাবিদ্যালয়ৰ পৰা বহিস্কাৰ কৰিলে।

কিছু সময় তাই একেথৰে ওপৰলৈ চাই থাকি বাহিৰলৈ ওলাই আহিল আৰু তাই ডেউকা ভগা পখীৰ দৰে মাটিত পৰি গ'ল। লগে লগে সেইখিনিত সকলো ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিল আৰু হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হ'ল।

"জুয়ে শুকান খৰি পুৰি ছাই কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়।"
—হজৰত মহম্মদ

ভলীবল খেলুৱৈৰ
দল ঃ-
ছিপাঝাৰ মহাবিদ্যালয়

★



গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত 'কৃষ্ণকান্ত সন্দিকৈ নৈশ ভলীবল প্ৰতিযোগিতা'ত যোগদান কৰা আমাৰ মহাবিদ্যালয়ৰ ভলীবল খেলুৱৈৰ দলটিৰ লগত অধ্যাপক প্ৰসন্ন কুমাৰ নাথ, অধ্যাপক ৰামচন্দ্ৰ ডেকা আৰু অধ্যাপক মহেন্দ্ৰ কটকী ( তত্বাৱধায়ক, খেল বিভাগ ) দেৱক ফটোত দেখা গৈছে ।

# FEELINGS AT A VENDOR'S STALL

★ **Bordoloi, Debabrata**
Prof. Dept. of English

'Aiye— aiye— baithiye— mixture khaiye—garram garram mixture' Vendors of ghugun'-puri are shouting in the open fiel! infront of the 'Book Fair.' Book fair is also a fair where some people spend their money and some others make money. It is also a fair for the small traders like photowala, ghuguniwala, sherbetwala,— and for different types of pedlars and palmists. Afterall it is a fair where some spend and some earn. The shoutings of the ghugun:-puriwalas uninterruptedly come to my ears as soon as I got out of the Fair Campus. My visit to the fair was also much meaningful. I came to purchase new books for our College Library. Again, such occasions have some special bure for me. I was enthralled by the display of the new publications in all the bookstalls. They were arranged fascinatingly. The amount of money I had with me was nearly exhausted on the purchase of some important books. After day's labour and exertion I felt putout and hungry. So I was much attracted to the shoutings of the vendors as soon as I came

out of the fair-entrance. Time passed unware while I was engrossed in sorting out the books in different stalls. Then, no feeling of hunger and thirst could come over me. The only thirst I felt was the thirst of looking at the books with wonder and admiration.

The shoutings of the ghuguni vendors made me aware that I was really hungry. It was around four thirty in the evening. The edible items which I saw in the vendors' stalls transformed my greed of mind into the greed of stomach. Their shoutings added fuel to the flames. I walked down to a wheeled stall like a charmed snake. There were two steel chairs, in front of the stall. The vendor, very mildly and respectfully, indicated me to take a seat. His other partner was arranging the plates with mixture of puri-ghuguni and salads for the customers.

"Plate kitna rupaya, Bhai Sahib !" I asked him in Hindi.

"Dos rupaya"

"You are making high price !"

This time I uttered the words in Assamese as was my habit.

'Sir', retorted he quite innocently, 'the prices of all commodities are soaring up, we are to bear a great deal event to run this small business.' I could easily deted, that his tone was Assamese in his Hindi Speech.

'Hellow, my young friend,' asked I, "are you an Assamese fellow ?"

'Yes Sir,' He gave his reply in Assamese. Very honestly he started rubbing one Palm on the other, 'Sir, please sit down, I Prepare myself a plate of mixture for you,' Saying so, he was arranging a dish for me with speciai attention.

My students call me, 'Sir' That day the vendor boy also called me 'Sir.' He was a thin fellow of about thirty. His teeth were tinged with red as he used to ehew 'pan.' He was wearing a medest smile on his lips. I was sure that he was in no way my direct student to call me 'Sir' I thought it was his business art, a kind of modesty to make a good sale of mixtures. He offered me a distinctly palatable dish of mixtures glaringly decorated with the thread like salads oj reddish, carrot, beat, onion and tomato. The momenr I saw it, my tongue started watering. My greed was so Pungent that I took the dish from



him in a moment. Smoke was trailing upward from the garram mixture of the dish. It looked tremendously tasty. I began to eat with a spon. Really it was very nice to taste. This type of food item is not found in our so-called Assamese culture. I saw one boy was sellig 'Bhelpuri' at a near distance. Bhelpuri is being sold in our Judges field. I first tasted it in Bombay. Who knows that the some 'Bhelpuri' will one day be sold at our 'Ghorabandha Dal' ! May be one Assamese boy will sell it. It is not unnatural. This is what is called cultural, integrity. Import of others' culture, no export at all. It is cultural assimilation. While I was gulping down the morsels of hot mixture, one sikh security man took a seat beside me. He asked for half a plate of mixture. I looked at him. He asked the vendorboy to give him a little more reddish salad. He was looking at the packtes of books that I had bought in the fair. Howing eaten hastily, he offered a five rupee note to the vendor-boy and left us for his destination. The boy again began to shout in his business style to attract the customers to his stall. Out of curiosity I questioned him.—

'Well, my young friend, why are you uttering the Hindi words, not the Assamese ones ?'

'If I call them in Assamese. I am afraid, no customers will visit me. Hindi can attract all the customers. You have seen Sir, how sikh fellow offered me the five rupee note little whileago. I can tell you, Sir, whatever is non-Assamese is supposed to be superior even by our Assamese brethren. It my sad experiencs of long ten years.'

I marked a tone of regret in his reply. On the whole, he allowed himself to drift away in the stream of business. He alone could not go against the current, the order of the day. Though he was giving answers to my small queries, it seemed to me that he was fighting shy of me. Perhaps, he could well understand that my queries were going to reveal what

was kept hidden from me. Another couple come to his stall and ordered for two plates of mixture.

'My young friend, where is your home ?'

'Mangaldai, Sir.'

'Which corner of Mangaldai ?'

'Sipajhar Sir,'— I marked him from top to bottom. Because Sipajhar is my own place. He is from my own place. I further asked—

'In what part of Sipajhar ?'

'Dhekipara. Sir,

'What is your name ?'

He hesitaled to tell his name. He was stammering. 'I am Jadu Barman. Sir' His face changed colours for a while. He again started shouting. My eating became slight slow. The name 'Jadu Barman' took me to my past days. But I could not be confirmed where I first heard the name— I was sure some how I can counected with that name. I could not remember when, how and where. None the less the name could affect me.

It seemed that the boy was trying to avoid my queries. He resumed his shouting—aiye—aiye—baithiye, mixture khaiye.... .... .... . On the contrary, I felt an irresistible tendency of putting more and more questions to him, about himself.

'Did you know me before ?' Again I asked.

'Yes Sir,' This time he gathered courage at his heart, certainly he had known me before. He perhaps, also knew that it was not very easy to get rid of my queries. So, at legnth, he submitted. Honestly he began to say—

'Sir, you were my English teacher at college. You are our Bordoloi Sir. While copying in examination. I was caught red hended by you. I was expelled. There I stopped my academic life. I am Jadu Barman of Dhekipara' He was standing before me like an obedient School boy. I never thought of such a sequence.

'Why have you hidden your identity from me so long ?'

'Sir I was afraid, an expelled boy may not be recognised as a student by you. I thought my approach might outrage your academic position, So I wanted to play the role of an unknown fellow. But your questionings are drawing me towards you like a piece of magnet.'

He stopped for a while, I too remained silent. It was a very strange situation for me.

"Sir, That sikh securityman just come and swallowed the mixture. He did not ask me anything. It seems to me that you have come here not only to eat mixture but also to know me, about myself."

His revelation made me more inquisitive. So I wanted to know when I first met him, why he stopped his academic life, how he came to this profession. so on and so forth.

"Sir, I gave up college education in 1984. I was expelled for two years. I was not a sincere and laborius student. I wanted to pass the examination by fair means or foul. I donot regret that I was expelled. I deserved it,—this is my latest realisation. Sir, when I sow you today I was very happy. But I could not directly call you. A kind of fear obsessed me. But you are always my 'Bordoloi Sir.' Please don't mind Sir."

I just went on listening to what he was saying, I had one consolation that the boy is earning money by his honest labour.

'Sir', he again said. "I donot regret that I could not complete my college education. Some how I am earning, and also maintaning the family. But I regret that so many graduate youths are passing frustrated lives. They are unemployed, nor even eager to do what I am doing. It is also true, Sir. what is the use of college education if a graduate becomes a street vendor like me. My own brother Joy Barman is a graduate with Major from our Sipajhar College. You may know him Sir. He is passing an idle life, an unemployed youth."

His feelings were true. I could not contradict his sayings. I could visualise a new light in his words. This is the present state of our

academic race. We are creating graduates batch after batch in every year. Most of them are of no use. A nation cannot run like this. I felt a kind of attachment for him. I wished to hear a few words more from him. It was time for my bus. I wanted to take leave of him. So I offered him a ten rupee note, the price of mixture. I marked my offering made him sad looking.

'Sir, I am not doing business with you, Today I have much pleasure that you have come to my stall, recognised me as your student, this is enough for me.'

'But I am your customer.'

'Sir, Vendors have no social position. Yet they may have some feelings, some sense of honour. Today I am the happiest of all the vendors that I have met one of my respected teachrs in front of my humble stall. You may pay the price, but it will deprive me of the elevated pleasure that I feel at this moment. Sir, Please mark the other vendors. It is sure, none of them have met any teacher of them here in this book fair. May be, they have no academic teacher at all. Most of them have not seen any school in their childhood. Pridefully today I will tell them that once I had college education, my college is more dignified than any other college in the city, our teachers have great love for us though I am a vendor and soon.

Sir, I may take the price of mixture from you.— This will not give me the chance of being proud of you, of the college. So, please keep the not in your pocket Sir.

These were his humble words coming out from the care of his heart. I thought the bitter experience of world have made heart so pure. Then he ran to a Pan Shop and offered me a Pan. Usually I do not chew Pan. I could not dare to heart his sentiment. He forgot his business. His other partner alone shouting and serving the customers. Jadu Barman again started.

'Sir, I know that Sipajhar College is going to celebrate its



'Silver Jubilee'. It is really a happy news for me Sir".

He opened his purse and took out a hundred rupee note and a one rupee coin very respectfully and innocently he put it into my hands.

'Sir, please take this trifle sum for the celebration.' 'Dear Jadu, I have come to the fair to purchase books. But happy I am that I have met you here, I have got a nice occasion to know your feelings. No receipt book is with me now. So, you please come to college personally and give it to the principal.

'Sir, I am very busy day and night. Moreover, I am confirmed that you must deposit the money with the fund. It is really a solemn occasion for my dear Sipajhar College. I need no receipt as the amount is in your hands."

I took the money, his noble donation for the 'Silver Jubilee' of Sipajhar College. Its value appeared to be much more than what I am going to offer. My head bowed down before his respect towards the teachers and the institution. I doubt whether I am so much respectful to my teachers as he is to us. He appeared so high that I became almost a manikin beside him.

'Sir, it is your time for bus. Please excuse me if anything is wrong with me. We the vendors have no social position, yet we have a heart. Sir, this is my honest earning you have made me honest and pure. Now I donot adopt any unfair means in my earning. Though the amount is meagre it is from my honest earning. Please Sir, do not think that it is from an expelled examinee."

He could not utter furthermore. He started sobbing. Spell bound I came away from him and got into a crowded city bus. Still I heard 'Aiye - aiye-baithiye—mixture khaiye— garram garram mixture'.

● ● ●

bundle of fur, cold and starved. All my attempts to touch her were greeted with hisses and snarls. Finally, Baba came to my rescue and between the two of us we managed to catch her and bring her home.

On the first day, all my endeavours to break ice were met with haughty rebuffs. On the second day, she let me pet her and greeted me with a loud "miaow". All through that, rainy season, Koki and I were inseparable. She had become the centre of my world. My studies and school suffered as I often escaped with Koki to the garden and hid among the trees.

This beautiful relationship between the three of us continued to develop and would have lasted forever had I not been shifted to the city rather suddenly. Things seemed to change overnight. Gone were the days of carefree existence. I was inconsolable at having to leave behind the only friends I had ever known—Baba and Koki. The only place which I had called "home" in my ten years of existence was suddenly not mine anymore. My life in the city was bereft of any adventures. The cramped spaces of our house in the city put a stop to all my games. I could not fathom the season then, why Baba and Koki were not allowed to come with us. I had to leave Koki in Baba's care, who lived in a small cottage at the corner of the garden. Now, after fifteen years, I was about to fulfil the promise which I had made to Baba—to visit him and Koki.

I was jerked back to reality by the general commotion in the compartment. We had arrived at a station. I peered out and tried to read the name of the station. As I read the name, I realised that this was the place where I had to get down. I hurriedly took my suitcase and got down. I decided to wait a little and lot the crowd pass by. Very soon, the platform was almost empty. I slowly made my way out and started looking for a rickshow to take me to Baba's house. As I stood there, the



whole area was bathed with a golden hue as if in welcome to my homecoming.

Baba's cottage was a few kilometers away from the station and it took me about an hour to reach there. That was the longest hour I had ever experienced in my life. The long meandering gravel road was dotted with puddles and potholes. I marvelled at the dexterity of the rickshaw puller who managed to dodge most of these. It was from him that I learnt about Baba's illness. A strange feeling of foreleoding gripped me and I urged the poor man to move faster, I had waite for fifteen long years to meet Baba and now, it had almost Become impossible to wait any longer. As we neared the turning, I waited with bated breadth to catch the first glimpse of the house which was once upon a time ours. What greeted me instead, was a tall building which housed many offices. Was it a miracle which had transported me back to the city ? No, that was not possible. These kind of things happened only in fairy tales. I assured that the rickshow puller had taken a wrong turning. But he assured me that this was where Baba lived. I was directed to the back of the building, and on reaching there, I came upon a small cottage which was in a state of dilapidation. I was rooted to spot with wonder. My frantic gaze swept over the whole surrounding in search of the pond and the mango tree. But all I could see were tall columns—signs of another construction in progress. With a heavy heart I entered the cottage. The whole place looked dark and uninhabited. As my eyes adjusted to the dark interior, I noticed that it was indeed empty. There was a worn out overcoat lying on the bed. Fifteen years could not bring about much change in its appearance. It was the same faded grey coat which was handed down to Baba by my uncle. But where was he ? I decided to wait and sat down on the bed. Wherever he might have gone,

he would definitely come back for his coat, or would he ?

I must have been very tired for I dozed off almost immediately. The sound of the workers preparing for their daily activities at the construction site woke me up. For a second I lost my bearings. Gradually it dawned on me that I had spent the whole night on Baba's bed clutching his overcoat tightly around me. Baba had not yet returned. I was getting more puzzled and worried. I decided to ask the construction workers. Surely they would know about the whereabouts of Baba.

In reply to my queries, I learnt that Baba was last seen a month ago. The search for him continued for two days. Everywhere I got the same answer. Finally, on the third day, as I was walking back home . no to Baba's house dejected, a small boy came up to me holding a large black and white cat. He said that Baba had passed away on the railway platform a week before. Upon asked why he had left his house, the little boy replied that Baba was waiting for someone. On hearing this news, I became numb with shock. After a while, when the numbness ebbed, I slowly entered the cottage ; the large overcoat was still lying on the bed. Why did Baba leave it behind ? It was something that Baba never parted with— be it summer or winter. I slowly gathered it up.... . It was a welcome gift from Baba, as if in anticipation of my home-coming.

—●—

"Strength is life, weakness is death ;
Strength is felicity, life-eternal, immortal !
Weakness is constant strain and misery,
Weakness is death. Let Positive, strong, helpful thoughts enter into your brains from very childhood."

—**Swami Vivekananda.**



# A HARROWING DEATH

★ **Sarma Bikash**
T. D. C. 3rd Year

As soon as I came from the office, my wife grumbled "Nitu's cerelac is exhausted", She began to goad me to buy it. In the afternoon I went out to the 'chauk'. I will have to buy a cerelac, only for deareast 'Nitu', the only child.....

Afternoon, as usual are crowded at the 'chauk'. The opressive daughter rapture, railery of the teenegars. Cigarette smoke swirling out from the 'Pandokan'. The latest hindi songs directed at the approaching maidens, make the 'chauk' rapturous. Suddenly I heard, "Babul's marriage comes off, Are we not waiting for the bus ?"

I see while turning, Maina the mad.... .... . My mind went back ten years to a Pathetic moment. One 18 year old youths dead body, a woman who cried embracing the dead body and a little girl crying beside. That woman, who became mad at the death of the boy, is this unlucky Maina the mad. Some laugh at her. Scolds her, throw stones and even shout obscene words at her. But I .... .... .... .

Babul was the only boy of the family. His Parents and little Rubi were the others. Babul's father was a typist. Through this job he some how maintained them in a very difficult way. They cherished the dream that Babul would one day be an officer. "Babul will grow big oneday, he will take a

service and the marriage of little Rubi will be celebrated with great rejoice" Babul's father imagined. But his fantasy could not be transleted to reality. His dream burnt into ashes.

One day, returning from his office Babul's father felt his body burn and towards evening he felt feverish. His usual Colic peeped through along with fency too. Babul's mother felt as if she was in a Daze, what will she do now ? There is none to help them in this condition. As they have no ready money, she decided to sell her Onaments. Selling her weeklace and rings, she rendered, an adequate treatment to her husband, but all in vaine. His diseare took a serious furn. While dying, Calling his wife he tells "You will take care of Babul and Rubi." Saying this he closed his eyes forever.

After their father's death, they have to facealot of penury. Fasting became a routine feature of their life. It is a big problem for her, how will she look after Babul and Rubi ? She begins to go to the magnate family to work under their spell. Proverty Compels her to do so. She is feeding Babul and Rubi like this.

Now Babul is a student of class ten, runing amid many a crisis. He is very brilliant and ahead of all students. Teachers love him—verymuch for his amiability and they too were of the opinion that he will pass the H. S. L. C. exam. with a good result.

Time flew by soon. Babul has passed the exem. in Ist division with letter marks in three subjects. On that very day,— Babul's mother became very happy. She thought "Babul will be able to do something as he has passed the Matric."

Latter on, Babul has got admitted to H.S. course. In the H.S. final exam. he again secured Its divisiou. But their poor Condition Prevents him from studying any more. He stops his education, though he had a sharp tendency to study more. His mother tells him to do any job and he also feals the need of a service. He wanders hither and thither in pursuing a service like a Vagabond. But who will give him a Job ?

Many days later after much deliberation the local M L A. told him that he will give him a cherickal post, but he will have to give five thousand rupees for the post.

Babul was faced with yet another problem. He thought again and again about the problem but found no remedy. Reaching home he told everything to his mother. She gave an exhortation not to worry. She sold her cattle and all other properties to educate her son, except a cow.

"Babul, you sell the cow, if you get the Job everything will be clear". Babul was also confident in getting the job. So selling the cow, he moved towards Gauhati.

Next day early in the morning, in a Tolly mood, he meets the M. L. A. in a grim voice, the M. L. A. tells Babul to wait for a few days, because the post he told about has been given to another boy—who had paid ten thousand rupees.

The news came as a shock to Babul. His throat went dry. In a breathless suspense, he looked for a moment to the 'turn-coat'. Coming out of his chamber, he walked with unsteady steps on the road. He thought and thought, but could find no answer. What will he do ? What will he say to his mother ? He was in a dilemma, while he was walking on the road thinking about his problems, suddenly he fell down on the ground senseless. A bus coming from the opposite direction hit him and Babul met his tragic end.

It is a bright Sunday noon Babul's mother is thinking about his son. 'Babul has not yet come' Many disastrous calamities are coming like a chain to her mind. At that moment Babul's mother notices a motor Car coming to their house. Her whole body was thrilled and leaving Rubi there, she ran and when she reached the chauk'. Some police had taken out Babul's dead body. She cried a long cry and fell down on the dead body.

When the news spread, all the villagers man towards their house. A huge amount of people gathered there to see Babul. Babul's mother became like a mad. She told seeing all these people—

"Babul's marriage comes off

Are we not waiting for the bus ?"

# মহাবিদ্যালয় সপ্তাহ

জানুৱাৰী/৯৫




বছৰৰ শ্ৰেষ্ঠ ভেশচন প্ৰতিযোগী
আৰু অন্যতম তাৰ্কিক
**শ্ৰীপ্ৰতুল চহৰীয়া**




যুক্তিৰে বিপক্ষ দলক ব্যতিব্যস্ত কৰি
তোলা বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক
মিচ্ পদ্মাৱতী দেৱী



সাহিত্য প্ৰতিযোগিতাৰ
শ্ৰেষ্ঠ সাহিত্যিক
**শ্ৰীঅসীম কুমাৰ নাথ**



**বছৰৰ শ্ৰেষ্ঠ নাট্যদল**
বাওঁফালৰপৰা ক্ৰমে ঃ
শ্ৰীজয়ন্ত বৰুৱা,
শ্ৰীধ্ৰুৱজ্যোতি বৰুৱা,
শ্ৰীমধু নাথ।
(ফটোত দেখা নগ'ল মিচ্ মেঘালী চহৰীয়া)



মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ
মাজত শ্ৰেষ্ঠ গায়ক, অভিনেতা
আৰু নাট পৰিচালক
হিচাপে সমাদৃত এটি নাম
**শ্ৰীধ্ৰুৱজ্যোতি বৰুৱা**

# মহাবিদ্যালয় সপ্তাহ


জানুৱাৰী/৯৫



মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ
মাজত খেলুৱৈ হিচাপে শ্ৰেষ্ঠত্ব
অৰ্জন কৰা
শ্ৰীধনমণি ডেকা



মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ
মাজত শ্ৰেষ্ঠ মহিলা খেলুৱৈ হিচাপে
সমাদৃত এটি নাম
মিচ্ বীনাপাণি নাথ



বছৰৰ শ্ৰেষ্ঠ কুইজ প্ৰতিযোগী
মঃ ইছাহাৰ আলী
এম মতিউৰ ৰহমান



ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ শিবিৰৰ শ্ৰেষ্ঠ
স্বেচ্ছাসেৱক
শ্ৰীমানিক চন্দ্ৰ কেওঁট



মহাবিদ্যালয়ৰ অপৰিস্কাৰ অপৰিচ্ছন্নতাৰ বিৰুদ্ধে
যুঁজি যুঁজি ভাগৰি নপৰা বছৰৰ শ্ৰেষ্ঠ সমাজসেৱক
শ্ৰীশিৱপ্ৰসাদ চহৰীয়া